# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1969

**July-August, 1969**

Vol. II No.5

The 1st August, 1969

CONTENTS

| | | Pages |
|---|---|---|
| 1. | Starred Questions and Answers ... ... ... ... | 127—143 |
| 2. | Unstarred Questions and Answers ... ... .. | 143 |
| 3. | *Re*: Government Handbook of General Circulars ... ... | 143—144 |
| 4. | *Re*: Certain misstatements in Ruplekha, a publication written in memory of late Shri Rupnath Brahma ... ... ... | 144—145 |
| 5. | Resolution condemning Police vandalism in the West Bengal Legislative Assembly ... ... ... ... ... | 145—147 |
| 6. | Announcement by the Speaker—*Re*: Circulation of Replies to Starred Questions ... ... ... ... ... | 147—148 |
| 7. | Statement by the Chief Minister—Railway Divisional Scheme | 148—152 |
| 8. | Calling Attention to a matter of Urgent Public Importance—Embezzlement of funds from Co-operative Societies ... | 152—153 |
| 9. | *Re*: Police Commissions and their Terms of Reference ... | 153 |
| 10 | Annual Report and Accounts, 1967-68 of the Assam State Warehousing Corporation ... ... ... ... | 153 |
| 11. | First Annual Report 1967-68 of the Assam Seeds Corporation Limited ... ... .. .. ... ... | 153 |
| 12. | Annual Report, 1967-68 of the Assam Industrial Development Corporation Limited ... ... ... ... ... | 153 |
| 13. | Fourth Annual Report, 1967-68 of the Assam State Mineral Development Corporation Limited ... ... ... | 153 |
| 14 | Annual Comparative Progress Report of the Assam Khadi and Village Industries, 1967-68 ... .. ... ... | 153 |
| 15. | Fourth Annual Report, 1967-68 of the Central Road Transport Corporation Limited ... ... ... ... | 153 |
| 16. | Resolution condemning Police vandalism in the West Bengal Legislative Assembly ... ... .. ... | 153—154 |
| 17. | Resolution: Ratification of the Constitution (Twenty-second Amendment) Bill, 1969 ... ... ... ... | 154—159 |

**Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India**

---

The Assembly met in the Assembly Chamber, Shillong, at 9 a.m. on Friday, the **1st August, 1969.**

PRESENT

Shri Mohi Kanta Das, M.A., B.L., Speaker, in the Chair, ten Ministers, six Ministers of State, three Deputy Ministers and seventy-seven Members.

---

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

(To which oral answers were given)

### *Re*: Arrest on Theft Case

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে :

*২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৬৯ চনৰ জানুৱাৰী মাহৰ ১৭ তাৰিখে নিশা প্ৰশ্নকৰ্ত্তাৰ ঘৰত চুৰি সংক্ৰান্তত নামৰূপৰ থানাৰ পুলিচে কাক এৰেষ্ট কৰিলে ?

(খ) যিসকলক ধৰা হ'ল, তেওঁলোকৰ পৰা কোনো বস্তু উদ্ধাৰ কৰিব পাৰিছেনে ?

(গ) আদালতত এই সকলৰ বিৰুদ্ধে চাৰ্জচিট কেতিয়া দাখিল কৰিলে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছে :

২১। (ক)—এই সংক্ৰান্তত জয়পুৰ থানাৰ পুলিচে মৰাণ কাড়ীগাৱঁৰ দোলা কাষৰীয়া, সুধিন গগৈ, থুলক গগৈ আৰু তৰাতলিগাৱঁৰ প্ৰেমধৰ চেতিয়াক গ্ৰেপ্তাৰ কৰিছিল।

(খ)—নাহৰকটীয়াৰ হৰিজনপাৰৰ আলিবাটৰ কাষত শ্ৰীভদ্ৰকান্ত গগৈৰ বাইচাইকেল পৰি থকা অৱস্থাত পুলিচে পায় আৰু চিনাক্ত কৰাৰ পিচত উদ্ধাৰ কৰে। তাৰ বাহিৰে গ্ৰেপ্তাৰ কৰা লোকসকলৰ পৰা কোনো বস্তু উদ্ধাৰ কৰিব পৰা নহ'ল।

(গ)—ঘটনাটি সত্য হলেও উক্ত আচামী কেইজনৰ বিৰুদ্ধে যথেষ্ট প্ৰমাণ নোপোৱা হেতুকে কেচটিৰ চুড়ান্ত প্ৰতিবেদন আদালতত দাখিল কৰা হ'ল।

**Shri Bhadra Kanta Gogoi**: অধ্যক্ষ মহোদয়, যি কেইজন মানুহক তেখেতসকলে ধৰিছে সেই কেইজন একেবাৰে নিৰ্দ্দোষী। মই যি কেইজন মানুহৰ নাম কৈছিলো তেখেতসকলৰ এজনকো নধৰিলে। ইয়াৰ কাৰণ কি ?

**Shri Bimala Prasad Chaliha**: অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণ কি মই সেইটো কথা খবৰ নকৰাকৈ এতিয়াই কব নোৱাৰো। বোধ কৰো পুলিচে arrest কৰিবলৈ যিখিনি হব লাগে সেইখিনি নোহোৱাৰ কাৰণে ধৰা নাই।

**Shri Bhadra Kanta Gogoi**: অধ্যক্ষ মহোদয়, সেই সংক্ৰান্তত টিপলিং থানাৰ পুলিচে কেইজন মান লৰাক গ্ৰেপ্তাৰ কৰিছিল আৰু তেওঁ লোকক সোধাত এইটো স্বীকাৰো কৰিছিল যে, তেওঁলোকে দিহিং নৈৰ বালিত কাহি-বাতি বিলাক পুতি থৈছিল। এই কথাটো মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জানেনে ?

**Shri Bimala Prasad Chaliha**: অধ্যক্ষ মহোদয়, সেইটো মই নাজানো। সেইটো মই খবৰ কৰিম।

**Shri Atul Chandra Goswami**: অধ্যক্ষ মহোদয়, এতিয়া যিটো কথা শুনিলো তাৰ পৰা অনুমান কৰিব পাৰি যে, পুলিচ আৰু চোৰৰ লগত কিবা সম্বন্ধ আছে।

**Shri Bimala Prasad Chaliha**: সেইটো সম্বন্ধ আছে বুলি মই নাভাবো।

**Shri Bhadra Kanta Gogoi**: অধ্যক্ষ মহোদয়, যি কেইজন মানুহক গ্ৰেপ্তাৰ কৰিছে—তেওঁলোকৰ প্ৰমাণ নোহোৱাৰ কাৰণে আদালতত কেচ দিয়া হোৱা নাই বুলি কৈছে। কিন্তু সেই মানুহ কিজন এতিয়াও প্ৰায়ে মাহত দুই তিনিবাৰকৈ অহা-যোৱা কৰি আছে। আৰু মইয়ে তেওঁলোকক টকা দি পঠাৰ লগা হৈছে আৰু এইটো কিহৰ পৰা হৈছে?

**Shri Bimala Prasad Chaliha**: Final Report হোৱাৰ পাচত অইন কিবা কাৰণত যাব পাৰে।

**Shri Gaurisankar Bhattacharyya**: অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো নাজানে নে কি যে, পুলিচে Final Report দিয়াৰ পাচতো বহুদিন Magistrate এ সেইখন গ্ৰহণ নকৰিব পাৰে। সেই কাৰণে তেওঁলোকে বিচাৰাধীন হিচাবে হাজিৰা দি থাকিব লাগে ?

**Shri Bimala Prasad Chaliha**: মই এইটোৰ খবৰ লব লাগিব।

**Shri Kabir Chandra Roy-Pradhani**: পুলিচে Final Report আৰু Charge Sheet দিয়াৰ কিবা পাৰ্থক্য আছে নে কি ?

**Shri Bimala Prasad Chaliha**: মই প্ৰশ্নটো ভালকৈ নুবুজিলো।

**Shri Kabir Chandra Roy Pradhani**: পুলিচে তদন্ত কৰি Final-Report দিয়াৰ আগতে Charge Sheet দিয়ে নে পাচত দিয়ে ?

**Shri Bimala Prasad Chaliha**: দোষী প্ৰমাণ নহলেও Final Report দিব পাৰে।

*Re*: **Death in Police Lock-up**

শ্ৰী এ, এন, আক্ৰাম হোচেইনে সুধিছে :

*২২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) যোৱা মে মাহত (১৯৬৯) ওদালগুৰি পুলিচ থানা লক-আপত আটক হৈ থকা শ্ৰীদেওবৰ ওৰফে বল্টু বসুমতাৰীক ৰাতি পুলিচে নিষ্ঠুৰভাবে মাৰপিট কৰি হত্যা কৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, ঘটনাৰ বিস্তৃত বিবৰণ বিধান সভাত মুখ্যমন্ত্ৰী মহোদয়ে দাখিল কৰিব নে ?

(গ) এই সংক্ৰান্তত ওদালগুৰিৰ পৰা চৰকাৰে ৰাজহুৱা কিবা প্ৰস্তাব বা প্ৰতিবেদন পাইছেনে ?

(ঘ) হত্যাকাণ্ডৰ লগত জড়িত পুলিচ কৰ্ম্মচাৰীসকলৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা লোৱাহৈছে ?

মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই উত্তৰ দিছে :

২২। (ক)—তেনেভাবে মৃত্যু হোৱা বুলি চৰকাৰে অভিযোগ পাইছে।

(খ)—যিহেতু ঘটনাটি বিচাৰাধীন হৈ আছে, বিশদ বিৱৰণ উক্ত বিচাৰৰ ফলাফল পোৱাৰ পিছতহে জনাব পৰা হব।

(গ)—হয়।

(ঘ)—এই ঘটনাটিত জড়িত পুলিচ কৰ্ম্মচাৰীসকলক সাময়িকভাবে বৰখাস্ত কৰা হৈছে।

**Shri Pitsing Konwar** : সাময়িক ভাবে অভিযুক্ত থকা পুলিচ অফিচাৰ কিজনৰ নাম কি আৰু তেওঁলোক কোন কোন ?

**Shri Bimala Prasad Chaliha** : তেওঁলোকৰ ভিতৰত S. I. শ্ৰীলীলানাথ, শ্ৰীবৱতা ৰাম নাথ, গোলোক চৰন নাথ, সূৰ্য্য কুমাৰ বৰুৱা, মনোহৰ খাঁ আৰু লীলাধৰ শইকীয়া ।

**Shri A. N. Akram Hussain** : পুলিচৰ লক-আপত বহুতো হত্যাকাণ্ড ঘটিছে আৰু বহুত ঠাইত ঘটেও। এইবিলাক যাতে নঘটে তাৰ কিবা ব্যৱস্থা লবনে ?

**Shri Bimala Prasad Chaliha** : তেনেকুৱা ঘটনা আৰু দুই এটা হৈছে। সেইবিলাক মেজিষ্ট্ৰেটৰ দ্বাৰা তদন্ত কৰি যাৰ ওপৰত দোষ পোৱা গৈছে—তেওঁৰ ওপৰত কেচ আদিৰ ব্যৱস্থা লোৱা হৈছে।

**Shri Dulal Chandra Barua** : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে, যি অনুসন্ধান কৰা হৈছে সেই অনুসন্ধান কাৰ যোগেদি, পুলিচৰ যোগেদি নে Magistrate ৰ যোগেদি কৰা হৈছে ?

**Shri Bimala Prasad Chaliha** : Magistrate এ কৰিছিল আৰু অনুসন্ধান কৰাৰ পাচত Magistrate ৰ Report অনুসৰিহে তেওঁলোকৰ ওপৰত কেচ কৰা হৈছে।

**Shri Kandarpa Narayan Banikya** : মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে—যে, লক-আপৰ ভিতৰত আচামীক পুলিচে মাৰ-ধৰ কৰাৰ কিবা অধিকাৰ আছেনেকি ?

**Shri Bimala Prasad Chaliha** : নিশ্চয় নাই।

**Shri A. N. Akram Hussain** : অধ্যক্ষ মহোদয়, মই জনাত পুলিচ বিভাগে মানুহবিলাকক গ্ৰেপ্তাৰ কৰাৰ লগে লগে মাৰ-ধৰ কৰে। এইটো দোষী সাব্যস্ত নোহোৱালৈকে মাৰ-ধৰ কৰাতো বন্ধ কৰিবনে ?

**Shri Bimala Prasad Chaliha** : অধ্যক্ষ মহোদয়, মই জনাত এইটো পুলিচ বিভাগৰ ওপৰত কোনো প্ৰশ্নই নহয়। কাৰণ এইটো বে-আইনী কথা।

**Shri Kabir Chandra Roy-Pradhani** : পুলিচে মানুহবিলাকক ধৰে আৰু বিচাৰৰ আগতে দোষী প্ৰমাণ নোহোৱা-কৈয়ে মাৰ-ধৰ কৰে আৰু এইটো হৈছে বৃটিছ আমোলৰ কথা। এইটো চৰকাৰে পৰিবৰ্ত্তন কৰিবনেকি ?

**Shri Bimala Prasad Chaliha** : যিটো আইনসঙ্গত ; পুলিচে সেইটো কৰাহে পুলিচৰ নীতি। এনেকৈ কৰিলে পুলিচে বে-আইনী কৰা হয়।

**Maulana Abdul Jalil Choudhury**: স্বাধীনতা কে বাদ ইস মুলুক্‌কে নাগৰিকোঁকো কিসী ৱজহ সে ভী গিৰফতাৰ কৰনে কে বাদ পুলিচ কে অত্যাচাৰ কো বিল্‌কুল বাদ কৰ সকতী হ্যাঁয় ইয়া নঁহী ?

**Shri Bimala Prasad Chaliha**: অধ্যক্ষ মহোদয়, এইটো কিছুমান delinquent বিষয়াৰ কাম। এই Delinquent বিষয়া বিলাকৰ ওপৰত যেনে ব্যৱস্থা লোৱা দৰকাৰ তেনে ব্যৱস্থা লোৱা হয়।

*Re*: **Security measures on National Highway No.31**

**Shri PRABHAT NARAYAN CHOUDHURY** asked:

*23. Will the Chief Minister be pleased to state—

(a) Whether Government is aware of the inadequate arrangements of security measures on National Highway No.31 between Amingaon and Gossaigaon ?

(b) Whether Government is aware that posting of only one Additional D. S. P. and other staff with a vehicle at Gauhati city is not sufficient for security on the portion of National Highway mentioned above having unrestricted movement of vehicles from other States ?

(c) Whether Governmet propose to take immediate steps for posting of two more D. S. Ps. with staff and vehicle within the National Highway mentioned above by setting up of a number of wireless stations at intervals of forty miles if not less ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied:

23. (a)—Arrangements for security measures of the area mentioned are adequate according to Government information.

(b)—The Traffic Deputy Superintendent of Police with his staff posted at Gauhati controls traffic within Gauhati Police Station jurisdiction only. There are 13 (thirteen) Police Stations and Out-Posts located close to the National Highway No.31 for exercising checks on the vehicular traffic, etc., in Kamrup and Goalpara Districts. There are fixed armed guards at Aie River and Gangadhar River bridges. There is a Police check-gate also at Boxirhat for checking all vehicles entering and leaving Assam.

(c)—At present there is no such proposal.

**Shri Prabhat Narayan Choudhury**: In the last Budget Session of the Assembly another question was put on this subject and Shri Mahendra Mohan Choudhury, on behalf of the Chief Minister, replied that a Deputy Superintendent of Police had been posted to Gauhati with necessary staff to supervise the national highway work and also a wireless unit had been attached there. I want to know whether that reply is correct or this reply is correct.

**Shri Bimala Prasad Chaliha**: That is correct but this particular Deputy Superintendent of Police's jurisdiction extends to the Gauhati Police Station only.

**Shri Prabhat Narayan Choudhury**: Do Government know that in respect of Police administration alone, besides the Superintendent of Police at Gauhati, there are two Additional Superintendents of Police, one for the North Bank and one for the South Bank, with their headquarters at Gauhati ? Though there is an Additional Superintendent of Police besides a Deputy Superintendent of Police for supervising in the North Bank, they cannot exercise control over the vast area in the North Bank. Do Government know this difficulty and will they consider posting one of the Additional Superintendents to North Bank ?

**Shri Bimala Prasad Chaliha:** That will be considered.

**Shri Jagannath Singh**: Is it not possible to place the Additional Superintendent of Police at Nalbari ? (*Laughter*).

(No reply).

**Shri Dulal Chandra Barua**: As the incidence of crime is increasing day by day in the national highways, both 36 and 37, do not the Government consider it proper to strengthen security measures on both these national highways by posting of Police officials with sufficient number of vehicles and wireless sets ?

**Shri Bimala Prasad Chaliha:** I cannot give the exact number, but some arrangements for mobile patrolling have been made.

**Shri Prabhat Narayan Choudhury**: Do Government know that the national highway does not touch any of the district and subdivisional towns like Dhubri, Kokrajhar and Barpeta and, therefore, it cannot be properly supervised from many subdivisional headquarters? Will Government consider the desirability of posting a responsible officer in charge of the national highway ?

**Shri Bimala Prasad Chaliha:** It is not possible for one officer to control the whole of this area. That is why respective police stations have been assigned the responsibility of controlling the areas fallng within their respective jurisdiction.

**Shri Kandarpa Narayan Banikya**: Whether it is a fact that Leyland trucks coming by the national highway No. 31 are not properly checked due to inadequate staff at the Boxirhat check-post ?

**Shri Bimala Prasad Chaliha** : This is not our information.

*Re*: **Return of C. I. Sheets by President of Rampur Anchalik Panchayat**

**Shri ABALA KANTA GOSWAMI** asked:

*24. Will the Minister-in-charge of Panchayat be pleased to state—

(a) Whether it is a fact that the Secretary of the Mahkuma Parishad, Gauhati, issued notices to Shri P. N. Thakuria President of Rampur Anchalik Panchayat to return the C. I. sheets of the Development Block taken by him for some private purposes ?

(b) If so, the number of C. I. sheets involved, the dates on which these notices were issued and the results thereof ?

(c) What action Government proposes to take when in spite of these notices the C. I. sheets in quesion are not returned ?

**Shri DEVENDRA NATH HAZARIKA (Minister of State, Panchayat and Community Development)** replied:

24. (a)—Notice was issued by the Additional Deputy Commissioner, Kamrup to Shri P. N. Thakuria, President of Rampur Anchalik Panchayat to return the C. I. sheets of the Development Block taken by him.

(b) and (c)—Twenty-five sheets. The notice was issued on 4th December 1968. The C. I. sheets had since been returned.

**Shri Dulal Chandra Barua**: When these were returned ? On what date ?

**Shri Devendra Nath Hazarika**: Last month.

**Shri Atul Chandra Goswami** : এই টিনপাত তেওঁ কেতিয়া নিছিল আৰু কেতিয়া ঘূৰাই দিলে ?

**Shri Devendra Nath Hazarika** : ১৯৬৭ চনৰ নভেম্বৰ মাহত নিছিল, ১৯৬৯ চনৰ জুলাই মাহত ঘূৰাই দিছে ।

**Shri Abala Kanta Goswami** : কিমান টিং নিছিল ?

**Shri Devendra Nath Hazarika** : ২৫ খন নিছিল ।

**Shri Sadhan Ranjan Sarkar** : Private purpose ত এইদৰে চৰকাৰী বস্তু দিয়াৰ নিয়ম আছে নেকি ?

**Shri Devendra Nath Hazarika** : Private purpose ত দিয়াৰ নিয়ম নাই । কিন্তু তেখেত শ্ৰীঠাকুৰীয়া ডাঙৰীয়াই নিজে আঞ্চলিক পঞ্চায়তৰ সভাপতি। তেখেতে B. D. O. ক এখন ৰছিদ দি টিন খিনি নিছিল ।

**Shri Sadhan Ranjan Sarkar** : এনেকৈ দিয়াৰ নিয়ম নাই যদিও যেতিয়া নিয়মৰ বাহিৰত গ'ল তাৰ বাবে কিবা শাস্তিৰ ব্যৱস্থা লোৱা হৈছিল নে ?

**Shri Devendra Nath Hazarika** : টিন নিছিল কিন্তু ঘূৰাই দিলে ।

**Shri Atul Chandra Goswami** : মন্ত্ৰী মহোদয়ে কৈছে যে এনেকুৱা ব্যক্তিগত কাৰণত টিনপাত দিয়া নিয়ম নাই । কিন্তু এই সভাপতি জনে ২৫ খন চৰকাৰী টিন নি ২ বছৰ কাল ৰাখি নিজৰ গোহালী ঘৰ সজা অথবা গাওঁৰ কোনোবাৰ বিয়াই সবাহে ভাৰা দি টকা ললে । এতিয়া সেই টিনপাত দুবছৰ ব্যৱহাৰৰ পাচত কি অৱস্থাত ঘূৰাই দিছে, কিমান নষ্ট হৈছে এই কথা চৰকাৰে জানেনে ?

**Shri Devendra Nath Hazarika** : যি অৱস্থাত নিছিলে সেই অৱস্থাতে ঘূৰাই দিয়া বুলি খবৰ পাইছো ।

**Shri Bhubaneswar Barman** : মন্ত্ৰী মহোদয়ে B. D. O. ক ৰছিদ দি সভাপতিজনে টিনপাত নিছে বুলি কৈছে আৰু যেতিয়া তেওঁ ব্যক্তিগত কাৰণত নিয়াৰ কথা জানিলে তেতিয়া তেওঁ ঘূৰাই দিলে । এই যে তেওঁ জালিয়াটিৰ কাম কৰিলে তাৰ বাবে কি ব্যৱস্থা কৰা হৈছে নে ?

**Shri Devendra Nath Hazarika** : তাত জালিয়াটিৰ কথা নাই । অস্থায়ী কামত ব্যৱহাৰ কৰিবলৈ নিছিল আৰু ঘূৰাই দিছে । তেখেতে অতদিন ৰখাটো সমীচিন হোৱা নাই বুলি ভাৱো ।

**Shri Abala Kanta Goswami** : বগাটিন নিয়া বুলি শুনিছিলো । এতিয়া কি টিন ঘূৰাই দিলে মন্ত্ৰী মহোদয়ে কবনে ?

**Shri Devendra Nath Hazarika** : খবৰ পোৱামতে যেনে ধৰণৰ টিন নিছিল তেনে ধৰণৰ টিন ঘূৰাই দিছে ।

**Shri Atul Chandra Goswami** : কোন মাহৰ কোন তাৰিখে নিছিল ?

**Shri Devendra Nath Hazarika** : ১৯৬৭ চনৰ নবেম্বৰ মাহত নিছিল আৰু যোৱা জুলাই মাহত ঘূৰাই দিছে ।

**Shri Atul Chandra Goswami** : নিৰ্দ্দিষ্ট কোন মাহৰ কোন তাৰিখে ঘূৰাই দিছে সেই খবৰ হাতত আছে নে নাই ?

(No Reply)

**Shri Abala Kanta Goswami** : My question is that the C. I. Sheets have not been returned and will the Minister be pleased to clarify the position ?

**Shri Devendra Nath Hazarika** : C.I. Sheets: এই বিলাকৰ ভিতৰত ১৮ খন কিছু দিন আগতে ঘূৰাই দিলে আৰু ৭ খন মাননীয় সদস্যৰ প্ৰশ্ন পোৱাৰ পাতত খবৰ আহিছে যে জুলাই মাহত ঘূৰাই দিছে ৮

**Shri Gaurisankar Bhattacharyya :** কথাটো এনেকুৱা যেতিয়া টিনপাত নিয়া হয় অৱশ্যে চুৰিকৈ নহয়, কোনো প্ৰমাণ নোহোৱাকৈহে টিনপাত নিছে । কিন্তু যেতিয়া সেই টিনপাতৰ বিষয়ে notice আহিল তেতিয়া কিছুমান টিনপাত ফিৰাই ললে কিন্তু নিয়াৰ সময়ত নিলে C. I. Sheet আৰু দিয়াৰ সময়ত দিলে Black Sheet আৰু কথা হল ২৫ খনৰ ভিতৰত ১৮ খন ঘূৰাই দিলে আৰু সিয়ো হল Black Sheet তাৰ পাচত বাকী খিনি বা কি কৰিলে ? তদন্ত কৰিব নে ?

**Shri Devendra Nath Hazarika :** Back date দি notice দিছে কিন্তু Black টিন দিছে নে নাই মই কব নোৱাৰো । তদন্ত কৰি চাম ।

**Shri Kabir Chandra Roy Pradhani :** [illegible]ৰামপুৰ পঞ্চায়তৰ দৰে আৰু কোনোৱা পঞ্চায়তত়ো টিনপাত নি ঘূৰাই নিদিয়া প্ৰমাণ আছে নেকি ?

**Shri Devendra Nath Hazarika :** এইটো এটা নতুন প্ৰশ্ন গতিকে notice দিব লাগিব ।

*Re* : **Decontrol of C. I. Sheets**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*২৫ । মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) টিনপাতৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্ৰণ উঠাই দিয়া হৈছে নেকি ?

(খ) যদি উঠাই দিছে, কেতিয়াৰ পৰা দিছে ?

যোগান মন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাদেৱে উত্তৰ দিছে :

২৫ । (ক)—হয় ।

(খ)—ইং ১ মে ১৯৬৭ তাৰিখৰ পৰা ।

**Shri Bhadreswar Gogoi :** অধ্যক্ষ মহোদয়, এতিয়া খোলা বজাৰত টিনপাতৰ প্ৰতি bundle ত কিমান টকাত বিক্ৰি কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

**Shri Ramesh Chandra Barooah :** সেইটো কব নোৱাৰো । বিচাৰ কৰি চাব লাগিব ।

**Shri Atul Chandra Goswami :** মুকলি বজাৰত যিবিলাক টিনপাত উলিয়াই তাৰ দাম ধৰি দিয়া হয় নে ? তেওঁলোকৰ মতেই বিক্ৰি হব পাৰে ?

**Shri Ramesh Chandra Barooah :** টিনপাত de-control হোৱাৰ পাচত তাৰ ওপৰত গৱৰ্ণমেণ্টৰ কোনো নিয়ন্ত্ৰণ নাই ।

**Shri Atul Chandra Goswami :** বৰ্ত্তমানে খোলা বজাৰত C. I. sheet ৰ দাম চৰকাৰে কিনেতেও সেই একে দামতে কিনে নেকি ? এতিয়ালৈকে কিমান Bundle C. I. Sheet আনিলে ?

**Shri Ramesh Chandra Barooah :** C.I. Sheet যদিও de-control হৈছে তথাপি প্ৰয়োজন হলেহে পাও । আৰু সেই টিন factory price আৰু transportation লগ লগাই যি দাম হয় সেই দৰেই বিক্ৰি কৰা হয় । কিন্তু ইয়াৰ সংখ্যা খুব কম ।

**Shri Sadhan Ranjan Sarkar :** অধ্যক্ষ মহোদয়, আজি control উঠাই দিয়াৰ পাচত কিমান পৰিমাণৰ টিন আনিছে আৰু এইবোৰ কেনেকৈ বিতৰণ কৰা হৈছে ? আৰু কাক বিতৰণ কৰা হৈছে ?

**Shri Ramesh Chandra Barooah :** এইটোৰ কাৰণে বেলেগ প্ৰশ্ন দিলে উত্তৰ দিব পৰা হব ।

**Moulana Abdul Jalil Chowdhury :** গৱৰ্ণমেণ্টে কি কি কাৰণত C. I. Sheet বিচাৰে ?

**Shri Ramesh Chandra Barooah**: এই টিন agricultural quota তহে বিছৰা হয় ? আৰু flood affected people আদিৰ কাৰণেও বিচাৰো।

**Shri Kamini Mohan Sarma**: माननीय अध्यक्ष महोदय, C. I. Sheet de-control হোৱাৰ পাচত আমাৰ অসম চৰকাৰে কিমান Bundle C. I. Sheet বিলি কৰিছে ?

**Shri Ramesh Chandra Barooah** :সেইটোৰ কাৰণেও বেলেগ প্ৰশ্ন লাগিব ।

**Shri Phani Bora** : এই খবৰটো এই মুহূৰ্ত্তে দিব নোৱাৰিব পাৰে কিন্তু এই session ৰ ভিতৰত দিব নে ?

**Shri Ramesh Chandra Barooah** : এই বিষয়ে বেলেগ এটা প্ৰশ্ন কৰিলে ভাল হব ।

**Shri Dulal Chandra Barooah** : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে অসম চৰকাৰে টিনপাত বিতৰণ কৰা ক্ষেত্ৰত de-control কৰিছে । Flood control ৰ কাৰণে C. I. Sheet আনি dealer বিলাকে কেনেকৈ কি দামত সাধাৰণ মানুহক বিক্ৰি কৰে ? সেইটো চৰকাৰৰ দায়িত্বৰ ভিতৰত নহয় বুলি ভাবে নে কি ?

**Shri Ramesh Chandra Barooah** : Decontrol হোৱাৰ পাচত সেই বিষয়ে চৰকাৰে চকু দিয়াৰ প্ৰয়োজন হোৱা নাই।

**Shri Dulal Chandra Barua**: বৰ্ত্তমানে dealer বিলাকে কোনে কেনেকৈ C. I. Sheet আনে ?

**Shri Ramesh Chandra Barooah** : সেই বিষয়ে মোৰ খবৰ নাই । আগতে সেই বিষয়ে চিন্তা কৰা নাই ; এতিয়া তাৰ ব্যৱস্থা লম ।

**Shri Bhadreswar Gogoi** : এতিয়া চৰকাৰৰ হাতত কিমান C.I. Sheet আছে ?

**Shri Ramesh Chandra Barooah** : এতিয়া একেবাৰে নাই। গোৱালপাৰা জিলাৰ বান বিধ্বস্ত সকলোলৈ বিচৰা C. I. Sheet এতিয়ালৈকে আহি পোৱা নাই।

*Re*: **T. A. and D. A. drawn by Ministers, etc.**

**Shri DEBESWAR SARMAH** asked:

*26. Will the Minister-in-charge of Finance Department be pleased to state—

(a) The total amount drawn as T. A. and D. A. during tours outside Shillong by the Ministers, Ministers of State and Deputy Ministers during the period of 12 months ending 30th June 1969 ?

(b) The amounts drawn by each of them, *i. e.*, giving the break up of the amounts drawn by these Ministers, Ministers of State and Deputy Ministers individually, during the same period ?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Finance)** replied:

26. (a)—T. A.—Rs.2,29,366·71P.

D. A.—Rs.47,554·00.

(b)—A statement is placed on the Table of the House.

**Shri Debeswar Sarmah** : Broadly speaking what is the purpose of these tours of Ministers, Ministers of States and Deputy Ministers inside the State ? and (b) have the Government got any appreciable evidence of the benefit of these expenditures on tours over 3 lakhs of rupees ?

**Shri Kamakhya Prasad Tripathi** : Sir, in a democracy the overall responsibility of the entire administration is on the Minister. If the Minister does not have any

personal knowledge of what is happening in the State they will have to be naturally dependant on the administrative information which may not be adequate, say, for giving replies to the hon. Members on the floor of the House, and therefore from all points of view the administration has to be to some extent supervised and regulated by the Ministers.

The second part of course is there. When the tours are undertaken lapses on the administrative set up are brought to the notice of the Ministers by the public and the Ministers take action and this action produces results. It would not be correct to say, however, that all the tours whenever undertaken are purposeful.

**Shri Bishwanath Upadhyaya:** माननीय अध्यक्ष महोदय ! हम जानना चाहते हैं कि क्या यह नियम नहीं है कि अगर कोई मंत्री दौरे पर जाते हैं तो उसकी खबर M.L.A., D.C., S.D.O., और D. C. C. को दी जानी चाहिये ? क्या यह सही है कि ऐसा नहीं होता है ?

**Shri Kamakhya Prasad Tripathi:** हमारा खयाल है कि जब कोई मंत्री दौरे पर जाते हैं तो उसकी खबर Local M.L.A. को दी जाती है ।

**Shri Bishwanath Upadhyaya:** अभी अभी एक मंत्री महोदय करीमगंज गये हुए थे । लेकिन हमें उसकी कोई खबर नहीं दी गई ।

**Shri Debeswar Sarmah:** মোৰ আৰু এটা প্ৰশ্ন থাকিল । এটাৰ লগতে দুটা প্ৰশ্ন কৰিব লগীয়া হল । এতিয়া আমাৰ মন্ত্ৰী মহোদয়ে কলে, আমিও শুনিলো। কিন্তু সেইটো ভালকৈ বুজিবলৈ আৰু এটা প্ৰশ্ন কৰিব লগীয়া হল । প্ৰশ্নটো হ'ল যে Democracy ত মন্ত্ৰী সকলে ঘনিষ্ঠ সম্পৰ্ক ৰখা উচিত । সেইটো ভাল কথা বুলি আমিও বিবেচনা কৰো । কিন্তু বৰ ঘনাই গলেও কথাটো ঠিক নহয় । অকল টকা খৰচেই নহয় Court টো নজৰত শাখাৰ এজন বা দুজন কৰ্মচাৰী মন্ত্ৰী সকলৰ আগমণ আৰু বিদায়ৰ কাৰণে ব্যস্ত থাকে আৰু সদায় চলিয়েই থাকে । মাননীয় মন্ত্ৰীয়ে যিটো কলে সেইটো এই দুটা ক্ষেত্ৰত কেনেকৈ বুজিম অলপ বুজাই দিলে ভাল হয় ।

প্ৰথমতে যোৱাবাৰ পাঠশালা স্কুলক Help দিয়া হল । জিলাই জিলাই Notice গল D. I. জনে যাৰ যেনেকৈ সুবিধা হয় সেইদৰে List কৰি দিলে । ধন দিয়াৰ আগতে State Minister আকৌ গল । এইটো কিয় হব লগা হল ? আৰু ইয়াৰ পৰা Democracy কিমান আগ বাঢ়িল ?

দ্বিতীয়তে অলপ দিনৰ আগতে এগৰাকী সদস্যৰ চোতালত চাৰি গৰাকী মন্ত্ৰী গোট খালেগৈ, এটি সামান্য স্থানীয় অনুস্থানৰ কাৰণে । তাৰ কাৰণে কিমান টকা খৰচ হল আৰু কিমান কাম হল এই দুটা কথা বুজাই দিলে ভাল পাম ।

**Shri Kamakhya Prasad Tripathi:** এইটো ঠিক যে যদিও মন্ত্ৰী সকলৰ এইদৰে ভ্ৰমণ কৰাৰ অধিকাৰ আৰু দায়িত্ব আছে তথাপি আমাৰ বিত্তীয় সঙ্কটৰ কাৰণে মুখ্যমন্ত্ৰীয়ে circular জাৰি কৰিলে যে পৰাপক্ষত মন্ত্ৰী সকলে বুজাবুজি কৰি ভ্ৰমণ কৰিব লাগে । আৰু এজন মন্ত্ৰী এটা মহকুমালৈ যাওঁতে নিজৰ বিভাগৰ ওপৰিও অন্যান্য বিভাগৰ ওপৰতো চকু দিব লাগে । আৰু উভতি আহি আবশ্যকীয় কথা বিলাক বিভাগীয় মন্ত্ৰীক জনাব লাগে । সেইটো ঠিক যদিও নিয়াৰিকৈ কৰিব পৰা নাই আৰু মন্ত্ৰী সকলেও মিলি planned way ত tour organise কৰিব পৰা নাই যদিও কিছু কিছু হৈছে।

শিক্ষা বিভাগটো এটা বিশেষকৈ চাব-লগীয়া বিভাগ । যেনে টকা বিতৰণ কৰা কথা । সেই কথা আলোচনা কৰিবৰ কাৰণে প্ৰত্যেক মহকুমালৈ ৰাজ্যিক মন্ত্ৰী যাব লগা হল ।

**Shri Debeswar Sarmah:** আগেয়ে যোৱা নাছিল, democracy হোৱাৰে পৰা...

**Shri Kamakhya Prasad Tripathi**: মাননীয় সদস্যই এইটো অনুভৱ কৰিব যে আমাৰ আটাতকৈ বেছি খৰচৰ বিভাগ হৈছে শিক্ষা বিভাগটো আৰু কম supervision কৰা বিভাগ হৈছে এইটোৱেই। সেই কাৰণে যি ধৰণে শিক্ষা নিয়ন্ত্ৰণ হব লাগে সেইদৰে হোৱা নাই। গতিকে মোৰ বোধেৰে এই বিভাগটোৰ supervision আৰু Inspection আৰু বেছি হব লাগে। অৱশ্যে টকা বিতৰণৰ ক্ষেত্ৰত এইদৰে নগলেও হলহেতেন। হয়তো তেখেতে প্ৰত্যেক মহকুমাত কাম-কাজ কেনেকৈ চলিছে সেইটো চাবৰ কাৰণে তেখেত গৈছিল। বোধকৰো এইবাৰেই প্ৰথম D. I. Office লৈ গৈ মন্ত্ৰী মহোদয়ে চাবলগীয়া হৈছে। আমি কামৰ দায়িত্ব নিম্নতম Officer ক দি ওপৰৰ পৰা supervision কৰিলে মোৰ বোধেৰে বেচি কাম হব। অৱশ্যে প্ৰণালীটো হয়তো ঠিক নহব, পাৰে সেইকাৰণে আমি ভালকৈ কৰিব পৰা নাই।

**Shri Debeswar Sarmah**: মোৰ এটা কথা নোলালেই। যেনেকৈ Excise Commissioner যে দোকান চাবগৈ সেই ধৰণে মিনিষ্টাৰো D. I. Office লৈ গৈছে। ১৯৭২ চনত কি হয় দেখা যাব। মই যে শুধিছিলো যে এগৰাকী সদস্যৰ চোতালত ৪ জন মন্ত্ৰী গোট খালেগৈ এটা সাধাৰণ অনুষ্ঠানৰ কাৰণে—সেইটো কি ?

**Shri Kamakhya Prasad Tripathi**: এই বিষয়ে মুখ্যমন্ত্ৰীৰ circular ত কোৱা হৈছে যে tour বিলাক planned হব লাগে। যাতে অইন বিভাগৰ কথাটো বিবেচনা কৰিব পাৰে।

**Shri Sadhad Ranjan Sarkar**: যি কাৰণে এই টকা বিতৰণ কৰা হল সেই বিতৰণ D. I. এ বনোৱা list মতে হোৱা নাই। Circuit House ত বেলেগ list কৰিহে টকা বিতৰণ কৰিলে। Inspection ৰ কাৰণে D. I. ওপৰত বেচি দায়িত্ব দিব লাগে।

**Shri Kamakhya Prasad Tripathi**: Inspection বা supervision ৰ বাবে স্থানীয় অফিচাৰৰ ওপৰত দায়িত্ব বেচি আছেই। তেওঁ লোকে বোধগম্য বেচি কৰে আৰু স্থানীয় ভাবে নিৰ্দ্দেশ দিব পাৰে।

**Shri Debeswar Sarmah**: এই সদস্য সকলৰ opinion অবিশ্বাস কৰেনেকি ?

**Shri Kamakhya Prasad Tripathi**: সদস্য সকলৰ opinion অবিশ্বাস কৰা নাই। সেই কাৰণেই স্থিৰ কৰা হৈছিল যে প্ৰত্যেক Constituency ৰ কাৰণে টকা বিতৰণ কৰোতে সেই সদস্য জনক আলোচনা কৰা হব।

**M. A. Muswwair Choudhury**: টকা আজিও পোৱা নাই।

**Shri Kamakhya Prasad Tripathi**: সেই কথা ইয়াত নুঠে। এতিয়া মই D.A. আৰু T.A.ৰ কথা কৈছো। এই টকা বিতৰণ কৰোতে সদস্যৰ লগত আলোচনা কৰি কৰাৰ কথা আছিল। গতিকে অবিশ্বাস কৰাৰ কথা নাই।

**Shri Jalaluddin Ahmed**: মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে, অৰ্থ মন্ত্ৰীৰ উত্তৰত দিছে যে সকলো মিনিষ্টাৰৰ যোৱা ১২ মাহত ভ্ৰমণ বানচ দিয়া হৈছিল ২ লাখ ২৯ হাজাৰ ৩৬৬ টকা ৭০ পইচা। এতিয়া আমি জানিব খুজিছো কোন কোন Cabinet Minister ক কিমান টকা ভ্ৰমণ বানচ দিয়া হৈছে।

**Shri Kamakhya Prasad Tripathi**: ২ লাখ ২৯ হাজাৰ।

**Shri Atul Chandra Goswami**: অধ্যক্ষ মহোদয়, ...

**Mr. Speaker**: I have already allowed 15 minutes on this question only. Please sit down. (Noise in the House)

**Shri Bhubaneswar Barman :** অধ্যক্ষ মহোদয়, ১ জন সদস্যৰ ঘৰত ৪ টা মিনিষ্টাৰ গৈছিল, কোন সদস্য জনৰ ঘৰত আৰু কোন কোন মিনিষ্টাৰ তালৈ গৈছিল সেইটোৰ উত্তৰ লাগে ।

**Shri Kamini Mohan Sarma :** আপুনি হাতুৰিটো থৈ কিয় হাতেৰে ঢকিয়াইছে, হাতত দুখ পাব ; হাতুৰিটো কি হল ?

**Mr. Speaker:** If the hon. Members want to discuss the question more thoroughly they may demand half an hour discussion on this. We should not take more time at the cost of other questions.

*Re*: **Daily Dietary to Prisoners**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*২৭। মাননীয় জেইল বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) জেইলৰ কয়দীবিলাকক কি কি আহাৰ খাবলৈ দিয়া হয় আৰু এই আহাৰ এজন কয়দীক কিমান পৰিমাণৰ দিয়া হয় ?

(খ) এই কয়দীবিলাকক কি কি কাম কৰায় ?

(গ) এই কথাটো সঁচা নে কি, কিছুমান কয়দীক কিছুমান কৰ্ম্মচাৰীৰ ঘৰৰ কামত লগায় ?

(ঘ) কয়দীবিলাকক ঘৰৰ পৰিয়ালবৰ্গ ই দেখা-সাক্ষাত কৰা কিবা চৰকাৰী নিয়ম আছে নেকি ?

জেইল বিভাগৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকাই উত্তৰ দিছে :

২৭। (ক)—জেইলৰ বন্দীসকলক ৰাতি-পুৱাৰ আহাৰ, দুপৰীয়াৰ আহাৰ আৰু সন্ধিয়াৰ আহাৰ খাবলৈ দিয়া হয়। আহাৰৰ তালিকা এখন সদনৰ মেজত দিয়া হল।

(খ)—কঠোৰ দণ্ড বিহিত হোৱা কয়দী-সকলক জেইলত তেওঁবিলাকৰ যোগ্যতা অনুযায়ী আৰু তেওঁবিলাকৰ জেইলবাসৰ ম্যাদৰ প্ৰতি লক্ষ্য ৰাখি কামত লগোৱা হয়। অসমৰ প্ৰায়বোৰ জেইলতে কুটীৰ-শিল্প আছে। বিশেষকৈ তেজপুৰ জেইলত বাঁহ-বেতৰ কাম আৰু কাপোৰ চিলোৱা কাম, তাঁত বোৱা কাম আদি কৰোৱা হয়। তাৰ বাহিৰেও অসমৰ ডাঙৰ জেইল কেইখনত এনে ধৰণৰ কাম কৰোৱা হয়। কয়দীসকলক প্ৰথমতে দুই-তিনি মাহৰ ট্ৰেইনিং দিয়াৰ পাচত তেওঁ-বিলাক আত্মনিৰ্ভৰশীল হব পাৰে। বৰ্ত্তমান যুগত কয়দীসকলৰ সংশোধনৰ ফালেহে বিশেষ লক্ষ্য ৰখা হৈছে আৰু সেই অনুযায়ী তেওঁলোক জেইলৰ পৰা ওলাই গৈ যাতে সমাজত সু-প্ৰতিষ্ঠিত হব পাৰে তাৰ বাবে চেষ্টা চলোৱা হৈছে।

(গ)—অসম জেইল মেনুৱেলৰ নিয়ম অনুযায়ী ম্যাদী কয়দীসকলক জেইল কৰ্ম্মচাৰী-সকলৰ কোৱাৰ্টাৰত পানী যোগোৱা, চৌহদ পৰিষ্কাৰ কৰা কামত নিযুক্ত কৰা হয়। কৰ্ম্মচাৰীসকলে ঘৰুৱা কামত লগোৱাৰ কোনো ব্যৱস্থা নাই। জেল মেনুৱেলৰ নিয়ম মতে জেইলাৰে তেওঁৰ বাসভৱনৰ বাগিচাত কয়দীক কামত খটুৱাব পাৰে।

(ঘ)—জেইল চুপাৰিণ্টেণ্ডেণ্টৰ লিখিত অনুমতি অনুযায়ী কয়দীসকলৰ পৰিয়াল-বৰ্গ ই তেওঁলোকক দেখা-সাক্ষাৎ কৰিব পাৰে। ইয়াৰ বিষদ বিৱৰণ জেইল মেনুৱেলৰ Chapter XXV ত আছে।

**Shri Bhadreswar Gogoi :** অধ্যক্ষ মহোদয়, উত্তৰ দিছে যে কৰ্ম্মচাৰী সকলে কয়দী সকলক পানী যোগোৱা ইত্যাদি কামত লগায় কিন্তু ইয়াৰ কাৰণে কয়দী সকলক কিবা ধানচ দিয়া হয় নেকি ?

**Shri Mahendra Nath Hazarika :** যিবিলাক কয়েদীয়ে কাম কৰে তেওঁলোকক ২।৩ মাহ কাম শিকাৰ পাচত হে কিছু মজুৰী দিয়া হয় ।

**Shri Dulal Chandra Barua :** কয়েদী সকলক বিষয়া সকলে খটোৱাৰ কিবা নিয়ম আছে নেকি আৰু খটোৱাৰ কাৰণে কিবা বানচ দিয়া হয় নেকি ?

**Shri Mahendra Nath Hazarika**: বনাচ দিয়া নহয়।

**Shri Kamini Mohan Sarma**: অ্যধক্ষ মহোদয়, জেলৰ কয়েদী সকলে জেলত শাকপাচলি তৰীতৰকাৰী উৎপন্ন কৰা এৰি দিছে এই কাৰণেই যে এইবিলাক বাহিৰৰ পৰা আনিলে কৰ্ম্মচাৰী সকলৰ লাভ হয় আৰু কয়েদী সকলে তৈয়াৰ কৰিলে লাভ নহয়। আমি শুনিছো শ্বিলং জেলৰ বাগানত কয়েদী সকলে তৰী-তৰকাৰী কৰাৰ ব্যৱস্থা হৈছিল কিন্তু এতিয়া সেইবিলাক উঠাই দিছে।

**Shri Mahendra Nath Hazarika**: যিবিলাক জেইলত এইবিলাক তৰীতৰকাৰী কৰা মাটি নাইকিয়া তাত কয়েদী সকলে উৎপন্ন নকৰে কিন্তু য'ত মাটি আছে তাত প্ৰতি দোখৰ মাটিত শাকপাচলি উৎপন্ন কৰে।

**M. Shamsul Huda**: মন্ত্ৰী সকলে কৈছে যে Jail Superintendent য়ে কয়েদী সকলক নিজৰ ঘৰুৱা কামত ব্যৱহাৰ কৰিব নোৱাৰে কিন্তু আমি জানো এওলোকে নিজৰ ধৰুৱা কামত কয়েদী সকলক কামত লগায় কিন্তু তাৰ বাবে কোনো বানচ নিদিয়ে।

**Shri Mahendra Nath Hazarika**: কোন Superintendent য়ে কয়েদীক তেনে ধৰণে ব্যৱহাৰ কৰিছে তাৰ List পালে তাৰ ব্যৱস্থা লব পৰা যাব পাৰে।

**M. Shamsul Huda**: আমি শুনিছো জেইলৰ কৰ্ম্মচাৰী সকলে কয়েদী বিলাকক নিজৰ গৰুৰ কাৰণে ৩।৪ মাইল দূৰলৈ ঘাহ কাটিবলৈ পঠিয়ায়।

**Shri Mahendra Nath Hazarika**: কোনো কোনো জেইলত হালোৱা আৰু গাই গৰু আছে সেই বিলাকৰ কাৰণে ঘাহ কাটিবলৈ পঠিয়াব পাৰে। মাননীয় সদস্যই যদি definitely কৈ দিয়ে কোন Superintedent য়ে নিজৰ গাই গৰুৰ কাৰণে কয়েদীক ঘাহ কাটিবলৈ পঠিয়াই সেইটো জনালে মই তাৰ তদন্ত কৰিব পাৰিম।

**Shri Sahadat Ali Jotder**: অকল ঘাহ কটাই নহয় তেওঁলোকৰ ঘৈণীয়েকৰ কাপোৰ কাণি ধোৱাটো কয়েদী সকলক খটুৱায়।

**Shri Atul Chandra Goswami**: Nowgong জেইলতে নিজৰ গৰুৰ ঘাহ কাটিবলৈ কয়েদীক পঠিয়াই আছে সেইটো আমি জানো। সেইটোকে তদন্ত কৰা হব নেকি ?

**Shri Mahendra Nath Hazarika**: সেইটো আমি তদন্ত কৰিম।

**M. Shamsul Huda**: নগাওঁ জিলাৰ জেইলৰ কয়েদী সকলৰ গৰু আছেনে নাই, মন্ত্ৰী মহোদয়ে জানেনে ?

**Shri Mahendra Nath Hazarika**: সেইটো মোৰ জনা নাই।

**Shri Jalaluddin Ahmed**: জেইলৰ কয়েদী সকলৰ কাৰণে অনা মাংস জেলৰ বিষয়াই খায় এইটো জেইল মন্ত্ৰী মহোদয়ে জানেনে ?

**Shri Mahendra Nath Hazarika**: কোন জেইলত খায় সেইটো নিৰ্দ্দিষ্টকৈ জনালেহে বিচাৰ কৰি কোন সকলে মাংস খায় সেইটো জনাব পৰা যাব।

**Shri A. N. Akram Hussain**: গুৱাহাটী জেইলত ভাৰতৰ ভিতৰত আটাইতকৈ সস্তা দামত ৰুটি বিক্ৰী কৰা দোকান এখন আছে। তাত বোলে এক-অনা দিলেই তিনিটা ৰুটি আৰু দুই অনা দিলেই এক প্লেট মাংস পোৱা যায়। সেইটো অনুসন্ধান কৰি জনাবনে ?

**Shri Mahendra Nath Hazarika :** অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন এতিয়াহে উৎথাপন কৰিছে । এই বিষয়ে অনুসন্ধান কৰিব লাগিব ।

**Shri Kandarpa Narayan Banikya :** অধ্যক্ষ মহোদয়, আমাৰ জেইল বোৰত যিমান চাউল দিব লাগে তাতকৈ কম চাউল দিয়ে । চৰকাৰৰ এই নীতিটো এতিয়াও চালু হৈয়েই আছে নে কি ?

**Shri Mahendra Nath Hazarika :** সেইটো জানিবৰ কাৰণে প্ৰত্যেক জেইলত Whole time কাম চলাব পৰা একোজন কৈ Superintendent ৰখাৰ ব্যৱস্থা কৰা হৈছে ।

**Shri Bhadreswa Gogoi :** অধ্যক্ষ মহোদয়, আমাৰ জেইল মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰত্যেকখন জেইলতে গৰু আছে । তেখেতে জনাব নে গৰু কিমান আছে, কি কাৰণে এই গৰুবিলাক ৰখা হৈছে আৰু এই গৰুবিলাকৰ পোহপালত কিমান টকা খৰচ হয় ?

**Shri Mahendra Nath Hazarika :** বেলেগ প্ৰশ্ন আহিলেহে কব পৰা যাব ।

*Re* : **Appointment to Assam Police Service**

**Shri NAMESWAR PEGU** asked :

*28. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that Government have recently set up a Police Commission for improvement of the Police Department in the State ?

(b) Whether Government is aware that in order to bring about efficiency the number of Police personnel should be increased ?

(c) Whether it is a fact that to fill up the vacancies of Officers in the Police Department a special recruitment examination was held by the Assam Public Service Commission in 1968 and A. P. S. C. recommended 24 candidates for selection and some of them were already appointed ?

(d) Whether Government is contemplating to appoint all the selected candidates as recommended by the A. P. S. C. with a view to strengthen the Police Force by local youths of the State instead of increasing the quota from the I. P. S. cadre ?

(e) If so, whom ?

(f) If not, why ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied :

28. (a)—Yes.

(b)—Yes. But this is subject to the financial resources of the State.

(c)—The Assam Public Service Commission prepared a list of 24 successful candidates who appeared at this examination and placed them in order of merit for appointment according to the number of vacancies available.

(d)—No. 11 have been offered appointment.

(e) & (f).—As stated in (c) above the number of candidates to be recruited is dependant on the number of vacancies available in the Assam Police Service Cadre of the State. It will be appreciated that recruitment of a very large number in any particular year would not be desirable as this will give rise to difficulties of training and cause promotion block in the future resulting in demoralisation in the particular cadre. A list of the candidates who are offered appointment/selected for appointment is placed on the Table of the House.

**Shri DULAL CHANDRA BARUA**: Sir, the Chief Minister has stated that the recruitment is made on the basis of the number of vacancies available and the number of candidates nominated by the Assam Public Service Commission is 24 for such posts. Therefore, those 24 candidates who have been nominated by the Assam Public Service Commission will be expecting and anxiously waiting till the final recruitment is made. Moreover, many of them will cross the age bar. Considering all these and the future prospect of the educated youths do not Government consider it proper to make special arrangements for absorption of the 24 boys ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)**: The Assam Public Service Commission normally gives twice the number of persons to be recruited. For example, if 5 persons are to be nominated, they give a panel of 10 persons. Therefore, it is not unusual. With regard to the recruitment of additional number of Deputy Superintendents of Police this question was examined and it was not found feasible at this moment to recruit more to this cadre ?

**Shri Bhubaneswar Barman**: অধ্যক্ষ মহোদয়, যিটো পুলিচ কমিশ্যন গঠন কৰাৰ কথা কৈছিল সেইটো কি ভিৰ্ত্তিত কৰা হৈছে আৰু তাৰ সদস্যসকল কোন ? এই কথা মন্ত্ৰী মহোদয়ে জনাব নে ?

**Shri Bimala Prasad Chaliha**: সেইটো প্ৰশ্ন এই প্ৰসঙ্গত নুঠে। সেইটো দৰকাৰ হলে সুবিধে মাননীয় সদস্যজনক জনোৱা হব।

**Shri Phani Bora**: প্ৰশ্নটো ইয়াত উঠে কাৰণ (A)ত আছে

(a) Whether it is a fact that Government have recently set up a Police Commission for improvement of the Police Department in the State ? This is there. So if one asks a question as to how this Police Commission is constituted and what is its purpose, it is relevant.

**Shri BIMALA PRASAD CHALIHA**: That particular information is not immediately handy with me. I will supply it.

**Shri DULAL CHANDRA BARUA**: As the Chief Minister has stated that the Assam Public Service Commission has given nomination for double the number of vacancies but in actual practice that is not the thing as many of the nominated candidates afterwards become frustrated after such nomination. Moreover, there is delay in giving the results of the nomination for final recruitment. Therefore, do Government not consider it proper in future to give nomination only according to the number of vacancies as I have said before, that most of the boys have become age-barred. I bring this aspect of the matter to the notice of the Chief Minister to consider at least the cases of those boys who are going to be age-barred, for some other appointment.

**Shri BIMALA PRASAD CHALIHA**: It will depend upon the vacancies. If the list is in force and the recomendations are in force, that

will be considered on the basis of the order of preference given by the Public Service Commission. With regard to recommending only the exact number of persons to be recruited, there are difficulties because some persons in spite of their names being recommended sometime they do not accept the appointment or in the meantime take some other assignment. Therefore, a panel with more names has to be kept than what is the number of persons to be recruited.

*Re*: **Government "Hand Book of General Circulars"**

**Shri DEBESWAR SARMAH** asked:

*29. Will the Chief Minister be pleased to refer to the Unstarred Question No.231, dated 2nd April 1968 and to state—

(a) What reason prompted the Government to give the contract work for printing Government 'Hand Book of General Circulars' to the Press Syndicate Limited, Calcutta and what are the reasons which prompted Government to advance Rupees 30,000 for the work to the said firm apart from the enabling rules ?

(b) Whether any other Presses were given advance for Government printing in the year 1965 and 1966 ?

(c) Whether any advertisement was issued for this contract for printing ?

(d) If so, in which papers and what dates ?

(e) Whether copies of advertisement be placed in the Table of the House ?

(f) Who were the parties who submitted quotations and what were their respective quotations ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied:

29. (a) to (f)—The hon'ble Member's attention is drawn to the replies of unstarred questions No.231, dated 2nd April 1968 and No.119, dated 9th November 1967.

*UNSTARRED QUESTION No.231, dated 2nd April 1968*

*Re : Printing of Government "Hand-Book of General Circulars" in the Press Syndicate Limited, Calcutta*

*Shri DEBESWAR SARMAH asked :*

*231. Will the Chief Minister be pleased to refer to the Starred Question No.300 asked by Shri Sailen Medhi, M.L.A., during the last Budget Session, 1967 and state—*

*(a) What reason prompted the Government to give the contract work for printing Government 'Hand-Book of General Circulars' to the Press Syndicate Limited, Calcutta and what other reasons which prompted Government to advance Rs.30,000 for the work to the said firm apart from the enabling rules ?*

*(b) Whether any other Presses were given advance for Government Printing in the year 1965 and 1966 ?*

*(c) Whether any advertisement was issued for this contract for printing ?*

*(d) If so, in which papers ?*

*(e) Whether copies of advertisement may be placed in the Table of the House ?*

*(f) Who were the parties who submitted quotations and what were their respective quotations ?*

*Shri BIMALA PRASAD CHALIHA (Chief Minister) replied :*

*231. (a) to (f) – The hon. Member's attention is invited to the reply to Unstarred Question No.119 given on the 9th November, 1967.*

*UNSTARRED QUESTION No.119,*
*dated 9th November 1967*

*Re : Printing of Government "Hand Book of General Circulars" in the Press Ltd., Calcutta Syndicate*

*Shri DEBESWAR SARMAH asked :*

*119. Will the Chief Minister be pleased to refer to the Starred Question No.300 submitted by Shri Sailen Medhi, Member, Legislative Assembly in the last Budget Session of the Assembly and replied by the Chief Minister and state—*

(*a*) *What were the reasons for giving the contract work for Printing Government "Hand-Book of General Circulars" to the Press Syndicate Ltd., Calcutta and what are the reasons which prompted Government to advance Rs.30,000 for the work to the said Firm ?*

(*b*) *Whether any other printing presses given advance of Government Printing work during the years 1963, 1964, 1965, 1966 ?*

(*c*) *Whether there was any advertisement issued for this contract for printing, if so, in which papers ? Whether copies of advertisement will be placed on the Table of House ?*

(*d*) *Who were the parties who submitted quotations and what were their respective quotations ?*

(*e*) *What are the reasons for which Government cannot entrust printing of books, etc., with printing presses inside the State ?*

*Shri BIMALA PRASAD CHALIHA (Chief Minister) replied :*

*119.* (*a*)—(*i*) *The quotation of Rs.9·03 per copy of 62½ formats (500 pages) for 8,000 copies of the Press Syndicate Ltd., was the lowest except the quotation of Rs.8·08 per copy of 60 formats (480 pages) of the Gauhati Press.*

(*ii*) *Gauhati Press did not reply to the query whether they will be able to undertake stiff board binding with plastic cover and did not send samples of printing and binding as requested.*

(*iii*) *Secretary, Publication Board recommended a Calcutta Press (Jnanodoya Press). But the quotation of the Press Syndicate was lower than the Jnanodoya Press.*

*The amount of Rs.30,000 was paid on running account bill as per provision of the Assam Financial Rules on production of proof and certificate that printing of more than half of the book had been completed.*

(*b*)—*No.*

(*c*)—*No advertisement was issued in the newspapers. But the Secretary, Publication Board as requested by the Organisation and Methods Division through the Director of Information and Public Relations called for quotations from individual presses. A copy of the notice calling for quotations is placed on the Table of the House*

(*d*)—*The quotations per copy for 8,000 copies are—*

*Jnanodoya Press—Rs.10·15 for 60 formats (480 pages).*

*Assam Tribune Press—Rs.9·22 for 60 formats (480 pages).*

*Gauhati Press—Rs.8·08 for 60 formats (480 pages).*

*Press Syndicate—Rs.9·03 for 62½ formats (500 pages).*

(*e*)—*The quotation of Press Syndicate was the lowest except the quotation of Gauhati Press. After the receipt of quotations the two presses at Gauhati were requested to send samples of printing and binding and to state if they would be able to undertake stiff board binding with plastic cover and the cost. Though the Gauhati Press promised to send samples and to intimate the cost of plastic binding they did not do so. The other Press did not respond at all.*

*The Secretary, Publication Board who had considerable experience in printing of books, recommended the Jnanodoya Press, Calcutta. Apparently he was not satisfied about the quality of printing of the local presses and their ability to undertake the work.*

**UNSTARRED**

**QUESTIONS AND ANSWERS**

(To which answers were laid on the table)

*Re*: **Collection of Revenue in Goalpara District**

**Shri MATHURA MOHAN SINHA** asked:

5. Will the Minister, Finance be pleased to state—

(a) What amount of money was collected from different sources to the State Revenue in Goalpara district during the last five years? (Please give figures subdivisionwise).

(b) What amount of expenditure was incurred from the State Exchequer in the Goalpara District during the same period? (Please give the figures subdivisionwise).

(c) Whether the Government is aware that the people of Goalpara district are dissatisfied due to regional imbalance in respect of Development works?

**Shri KAMAKHYA PRASAD TRIPATHI (Minister, Finance)** replied:

5. (a) & (b)—Except for the Autonomous Districts, accounts of receipts and expenditure are not kept District-wise or Subdivision-wise either by the Government or by the Accountant General.

(c)—Some such feelings are there.

*Re*: **Government Handbook of General Circulars**

***Shri DEBESWAR SARMAH**: I have to seek a clarification from the Speaker in respect of a question. I find that Rule 47 reads as "replies to any starred questions which remain unanswered on the last day of the session, shall be circulated to the members, and such replies shall form part of the proceedings of the last day." Now to-day I find that we could not reach the last question. This question has Public value as it relates to employment and unemployment in our State. Now I am trying to find under wnat rule the Speaker has been pleased to say that those starred questions which are not reached are killed for the purpose of supplementaries. I refer to Rule 47.

**Mr. SPEAKER**: The Rule 34(5) says ' If any question placed on the list of questions for oral answer on any day is not called for answer within the time available for answering questions on that day, the Minister to whom the question is addressed shall circulate the reply to the question to the members within three days and, unless otherwise directed by the Speaker, no oral reply shall be required to such question.

***Shri DEBESWAR SARMAH**: May I request that this question may be put on Monday or Tuesday according to the convenience of the House. As required under Section 46 I could not anticipate that the question may not reach and as such I could not seek earliar permission of the Speaker. Therefore, I am seeking the Speaker's permission to put up this on Monday or Tuesday.

**Mr. SPEAKER**: In view of Rule 34(5) the answer will be given within three days.

***Shri DEBESWAR SARMAH**: Mr. Speaker, Sir, the answer is not so much important. It was twice put in 1966 and 1967 but we could not

* Speech not corrected

reach the question. The original question was put by Shri Sailen Medhi. This is a very important question because consdierable worth or order was placed in Calcutta without calling for quotation, but having quotations from 2 places only. A good number of presses in Assam employ such compositors, printers, etc. and I would like to have an opportunity of inviting the attention of the Government so that consideration may be bestowed rather than their responsibility to provide employment inside Assam than to provide employment in West Bengal.

***Re*: Certain mis statements in Ruplekha a Publication written in memory of late Shri Rupnath Brahma.**

**Shri Atul Chandra Goswami**: অধ্যক্ষ মহোদয়, মই আপোনাৰ আদেশ লৈ এটা কথা মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমি এখন কিতাপ পাইছো আৰু সেইখনৰ নাম হৈছে "ৰূপ-লেখা" আৰু আমাৰ T. A. D. বিভাগৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰী দেৱেও তাত লিখিছে,

"চেনেহৰ অৰুণলৈ,

মৰমৰ ভাইটি শ্ৰীমান অৰুণ কুমাৰ বৰগয়াৰীৰ হাতে লিখা "ৰূপ লেখা" কিতাপ-খনি পঢ়িবলৈ পাইছিলো। কিতাপ খনিত আমাৰ সকলোৰে শ্ৰদ্ধেয় নেতা শ্ৰীৰূপনাথ ব্ৰহ্ম ডাঙৰীয়াৰ গৌৰৱময় জীৱনী সম্পৰ্কে সুন্দৰ ভাৱে শ্ৰীমান বৰগয়াৰীৰে ফুটাই তুলিবলৈ সক্ষম হৈছে।" ইত্যাদি...............

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী,
১২।৫।১৯৬৯ ইং।

এই কিতাপখনৰ শেষৰ ফালৰ অংশৰ কথা কেইটাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰো। ইয়াত লিখিছে—

"তেখেতে নিঃস্বাৰ্থ ভাৱে দেশ তথা নিজৰ জাতিক সেৱা কৰি গৈছে। কিন্তু এই সেৱাৰ বিনিময়ত আজি অসমে তেওঁৰ কাৰণে একো কৰা নাই। আনকি তেওঁৰ বহুমূলীয়া জীৱনৰ স্মৃতিৰ অৰ্থে ফুটা কড়িও খৰচ কৰা নাই। ইয়াতকৈ কিবা আৰু দুখৰ কথা থাকিব পাৰেনে? নিস্বাৰ্থ সমাজ-সেৱী বীৰ ৰূপনাথে ইমান বছৰ দীৰ্ঘ কাল ধৰি মন্ত্ৰীত্ব কৰিও নিজৰ ব্যক্তিগত নামত ধন হিচাবে পুঁজি ৰাখি যাব নোৱাৰিলে। আনকি নিজৰ ভাগ্যত যিখিনি ধনৰূপে পাইছিল তাৰ গোটেই খিনিয়েই সমাজসেৱাতে লীন গ'ল। ধন্য ৰূপনাথ! তোমাৰ নিস্বাথ সমাজ সেৱা! তোমাৰ সেৱা নিস্বাৰ্থ হোৱাৰ কাৰণেই তোমাক আজি কোনেও সোঁৱৰণ নকৰে। অসমৰ কোনো পত্ৰিকাতে ন্যায় পৰায়ণ সত্যনিষ্ঠা প্ৰকৃত তোমাৰ মানৱ জীৱনৰ সম্পৰ্কে কোনেও এশাৰী লিখা নাই। তোমাৰ সেৱাতে ৰাজনীতি ক্ষেত্ৰত মুখৰিত হোৱা কোনো অসমীয়া ৰাজনীতি বীৰে তোমাৰ গুণ কীৰ্ত্তন গোৱা নাই। ধন্য অসম তোমাৰ বিচাৰ।

"জীৱিত কালতো তোমাৰ কাৰণে অসমে একো সুবিধা কৰি নিদিলে। মৃত্যু মুখী অৱস্থাতো তোমাৰ শুশ্ৰুষাৰ উপযুক্ত ব্যৱস্থা নকৰিলে। মৃত্যুৰ পিছতো তোমাক চিৰ দিনৰ কাৰণে বিদায় দিবলৈ ৰাজনীতিৰ মুখাপিক্ষা কোনো অসম বীৰে লৰি নাহিলে। মাটিৰ মানুহ যেতিয়া তোমাৰ নশ্বৰ দেহা মাটিতে আকৌ লীন গল।

"চৰকাৰী ভাৱে তোমাৰ নশ্বৰ দেহাত শ্ৰদ্ধাৰ পুষ্পাঞ্জলী পৰা নাই সঁচা, তথাপিও হেজাৰ হেজাৰ জনসাধাৰণৰ পুষ্পাঞ্জলী স্বৰূপ মাল্য-দানৰ পৰা তুমি বিৰত হোৱা নাই। এই প্ৰকাৰৰ শ্ৰদ্ধা তুমি চিৰ দিনৰ কাৰণেও পাই থাকিবা। এয়ে তোমাৰ অমৃতময় নিস্বাৰ্থ সমাজ সেৱাৰ প্ৰতিদান।"

এতিয়া কথা হৈছে যে স্বৰ্গীয় ব্ৰহ্ম ডাঙ-ৰীয়া আমাৰ অসমৰ আটাইৰে শ্ৰদ্ধেয় লোক। কিন্তু এইটো কথা ঠিক যে তেখেতৰ প্ৰতি আমি যিমান কৰিব লাগিছিল সিমান কৰিব পৰা নাই। কিন্তু তেখেতৰ প্ৰতি একেবাৰে একো কৰা নাই বুলি অভিযোগ অনা হৈছে। আৰু অসমে তেখেতৰ প্ৰতি শ্ৰদ্ধা দেখুওৱা নাই আৰু কোনো বাতৰি কাকতত এশাৰীও লিখা কথা নাই বুলি কৈছে। এনেকুৱা এখন কিতাপক ৰাজ্যিক মন্ত্ৰী ৰণেন্দ্ৰ বসু-মাতাৰী ডাঙৰীয়াইও certificate

দিছে। এতিয়া এই কথাৰ বিচাৰ কৰিব লাগে যাতে অসমীয়া লোকসকল এই অপবাদ বোৰৰ ভাগী নহয় আৰু এই অপপ্ৰচাৰৰ দ্বাৰা যাতে কোনো ধৰণৰ বিভেদৰ সৃষ্টি নহয়। তাৰ কাৰণে এটা বাস্তৱ ব্যৱস্থা লবলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**Shri Bimala Prasad Chaliha (Chief Minister)**: অধ্যক্ষ মহোদয়, কিতাপ খন মোৰ হাতত পৰিছে। মই মাননীয় সদস্য গৰাকীৰ লগত একমত। তাৰ পাচৰ অংশৰ কিছুমান কথা সত্য নহয়। এইটো ঠিক যে কেৱল ব্ৰহ্ম ডাঙৰীয়াৰ বিষয়েই নহয়, আমাৰ ভালে কেইজন নেতাৰ স্মৃতি ৰক্ষাৰ ( তৰুণ ফুকন, নবীন বৰদলৈ, হেম বৰুৱা ) প্ৰতিও বিশেষ একো কৰিব পৰা নাই। তাত লিখিছে যে তেখেতৰ চিকিৎসাৰ বাবে একো ব্যৱস্থা কৰা নহল। এইটো কথা সত্য নহয়। হঠাৎ তেখেত pressure ৰোগত আক্ৰান্ত হোৱা সময়ত তেখেতক অন্য ঠাইলৈ স্থানান্তৰিত কৰাৰ প্ৰশ্ন নুঠিল। সেই সময়ৰ গুৱাহাটী Medical College ৰ প্ৰধান প্ৰধান Professor কোকৰাঝাৰলৈ পঠিয়াই চিকিৎসাৰ ব্যৱস্থা কৰা হৈছিল। এইটো ঠিক যে ব্ৰহ্ম ডাঙৰীয়াৰ জীৱনী লিখাটো প্ৰশংসনীয় কথা ; কিন্তু শেষৰ অংশৰ কথাই এটা তিক্ততাৰ সৃষ্টি কৰাৰ চেষ্টা কৰা হৈছে। এইটো বাঞ্ছণীয় কথা হোৱা নাই

**Shri Ranendra Basumatari (Minister of State, T. A. D.)**: যেতিয়া কিতাপখন লিখাৰ আঁকাৰত মোক দেখুৱাইছিল তেতিয়া লিখকে নিজৰ একাষাৰ কথা ফাঁকি লিখা নাছিল। ব্ৰহ্ম ডাঙৰীয়াৰ জীৱনী সম্পৰ্কে মই যি দেখিছিলো তাত আপত্তিজনক কথা নাছিল। যিটো আপত্তিজনক কথা ওলাইছে সেইটো মই দেখাৰ পাচতেহে যোগ দিয়া হৈছে। গতিকে ময়ো দেখি বৰ দুখ পাইছোঁ। যি ক্ষেত্ৰত মহকুমা পৰ্য্যায়ত কোকৰাঝাৰত শ্ৰীৰূপনাথ ব্ৰহ্ম মেমৰিয়েল এটা কমিটি পতা হৈছে আৰু সেই কমিটিত মোকে Permanent President নিযুক্তি কৰিছে। আমাৰ ইয়াতো ৰাজ্যিক পৰ্য্যায়ত তেখেতৰ সোৱঁৰণী কমিটি আছে। তাত আমাৰ মুখ্যমন্ত্ৰী নিজে Chairman আৰু মই তাৰ Secretary হিচাবে নিজেই আছোঁ। আমাৰ চৰকাৰে তেখেতৰ স্মৃতি ৰক্ষা কৰিবৰ কাৰণে বহুখিনি ব্যৱস্থা হাতত লৈছে। গতিকে মই জানি-শুনি তেখেতৰ স্মৃতিৰ কাৰণে চৰকাৰে একো কৰা নাই বুলি লিখা কথাত কেতিয়াও একমত নহওঁ। আগতীয়াকৈ দেখা হলে মই নিশ্চয় তেনেকুৱাকৈ ৰিকমেণ্ডেটৰী নোট নিলিখিলোঁহেতেন।

*Re*: **Resolution condemning Police Vandalism in the West Bengal Legislative Assembly.**

**Shri Phani Bora**: মাননীয় অধ্যক্ষ মহোদয়, এটা বৰ ডাঙৰ ঘটনা, যদিও আমাৰ এই বিধান সভাৰ লগত প্ৰত্যক্ষ সৰ্ম্পক নাই। তথাপিও যি গণতন্ত্ৰ আৰু সংবিধানৰ ভিত্তিত আমাৰ এই বিধান সভা গঠিত হৈছে আৰু যি লক্ষ্য লৈ গণতন্ত্ৰ শক্তিশালী কৰি বিধান সভাৰ কাৰ্য্যপৰিচালনা কৰে। এই বিধান সভাৰ ভিতৰতে পশ্চিমবঙ্গৰ বিধান সভাৰ ভিতৰতে পুলিচৰ যি তাণ্ডৱ নৃত্য দেখিবলৈ পালো এইটো এটা নোহোৱা নোপোজা কথা। এইটোৱে সমগ্ৰ ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ ওপৰত এটা আঘাত হানিছে। এই ক্ষেত্ৰত আমাৰ এই বিধান সভাৰ ফালৰ পৰা, ইয়াৰ প্ৰতি উদ্‌বিগ্নতা আৰু ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা যাতে গ্ৰহণ কৰা হয় তাৰ কাৰণে মই আহ্বান জনাও। এইটো বৰ আচৰিত কথা। বিধান সভাৰ ভিতৰত পুলিচ সোমাই বিধান সভাৰ সদস্য সকলৰ ওপৰত অত্যাচাৰ কৰি বিধান সভা বন্ধ কৰিবলৈ Speaker ক বাধ্য কৰা হয়। তাৰ পাচত Speaker আৰু অন্যান্য সদস্যসকল, মন্ত্ৰী সকলে তেখেত সকলৰ কক্ষত আশ্ৰয় লয়, আৰু উদণ্ড পুলিচ বিভাগে Speaker ৰ কক্ষ আক্ৰমণ কৰে আৰু Speaker খিড়িকীৰে পলাই যাবলৈ বাধ্য হয়। এইটো এটা অবাঞ্ছণীয় কথা। ইয়াৰ ভিতৰত এটা প্ৰকাণ্ড ষড়যন্ত্ৰ নিহিত আছে। এই সম্বন্ধে কোনো সন্দেহ নাই। এই কথা ঠিক যে, বঙ্গ দেশ আজি বিৰোধী পক্ষ বা সংযুক্ত চৰকাৰৰ দ্বাৰা পৰিচালিত হৈছে।

আজি কেন্দ্ৰীয় চৰকাৰ কংগ্ৰেছৰ পৰিচালিত। কেন্দ্ৰীয় চৰকাৰৰ পুলিচ বাহিনী প্ৰত্যেক প্ৰদেশতে আছে। কেন্দ্ৰীয় চৰকাৰৰ পুলিচ বাহিনী, কিভাৱে প্ৰত্যেক প্ৰদেশৰ চৰকাৰক উলংঘা কৰি কিভাৱে ৰাজ্য ক্ষেত্ৰত

প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে তাৰ উদাহৰণ আমি দেখিবলৈ পাইছো । এই অৱস্থাত আজি আমি এই বিধান সভাৰ তৰফৰ পৰা এটা উদ্‌বিগ্নতা প্ৰকাশ কৰিব খোজো । ইয়াত কোনো ৰাজনৈতিক মতানৈক্যৰ প্ৰশ্ন নাই, ৰাজনৈতিক মত পাৰ্থক্য থাকিলেও আমি গণতন্ত্ৰক ৰক্ষা কৰিবলৈ যি সকল প্ৰকৃততে গণতান্ত্ৰিক তেওঁলোকে ঐক্যবদ্ধ হব লাগিব । নহলে Civil War ৰ সূত্ৰপাত হব । capitalist, land-lord ৰ একচেতীয়া শাসনত দেশ জৰ্জ্জাৰিত আৰু এই শক্তিবোৰেই ষড়যন্ত্ৰ লিপ্ত হৈছে বলি মোৰ সন্দেহ ।

ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ যে ষড়যন্ত্ৰ নাই সেইটো মই কব নোৱাৰো । কিন্তু যিয়েই নহওক, গণতন্ত্ৰৰ ওপৰত এই কুঠাৰাঘাতৰ বিৰুদ্ধে আমি প্ৰতিবাদ জনাব লাগিব । এই কাৰণে আপোনাৰ জৰিয়তে এই বিধান সভাৰ দৃষ্টি আকৰ্ষণ কৰিলো ।

***Shri Gaurisankar Bhattacharyya :** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মই দুষাৰ কব খুজিছো যদিও শ্ৰীবৰাৰ লগত একমত নহয় যে, এই সম্পকত ৰাজনীতিৰ কোনো সম্পৰ্ক নাই । মই ভাবো ইয়াৰ লগত ৰাজনৈতিক সম্পৰ্ক আছে, যিবিলাক জমিদাৰী শ্ৰেণী যি শ্ৰেণীয়ে আমাৰ দেশৰ ওপৰত শাসন চলাই আহিছে আৰু শাসন চলাই আছে, সেই পুঁজিপতি শাসনত যেতিয়া এবাৰৰ কাৰণে হস্তক্ষেপ হ'ল সেই সময়তে পুঁজিপতি আৰু জমিদাৰ শ্ৰেণীয়ে বিদ্ৰোহ ঘোষণা কৰিলে, civil war ঘোষণা কৰিলে--আৰু এইটোৱেই বঙ্গদেশৰ প্ৰথম দুৰ্ঘটনা ।

এইখিনি কথাৰ বাহিৰে বাকীখিনিৰ লগত মই শ্ৰীবৰাৰ লগত একমত । আমাৰ সদনত যদিও এই বিষয়টো ভিতৰুৱা বিষয় নহয় বা অসম চৰকাৰৰ ভিতৰৰ কথা নহয় তথাপিও এই বিষয়টোত নিলিপ্ত থাকিব নোৱাৰে । যেনেকৈ আমাৰ ভাৰতবৰ্ষত তথা পৃথিৱীত যিবিলাক ডাঙৰ ডাঙৰ ঘটনা ঘটিছে অতীতত সেইবিলাকত নিলিপ্ত থকা নাই ।

সৌ সিদিনা যেতিয়া আমেৰিকাৰ Astronauts গৈ এটা নতুন যুগৰ সূচনা কৰিলে তেতিয়াও আমি এটা প্ৰস্তাৱ লৈছো । সেয়ে বঙ্গ দেশত যিটো ঘটনা হ'ল সেইটো এটা এনেকুৱা এটা মাৰাত্মক আৰু যিটোৰ প্ৰভাৱ, প্ৰত্যক্ষ প্ৰভাৱ বা মাৰাত্মক প্ৰভাৱ যিটোৱে দেশক খণ্ড-খণ্ড কৰিব পাৰে আমি সেইটো কথালৈ চোৱা দৰকাৰ ।

আজি পুলিচে শান্তি ৰক্ষাৰ কাৰণে যদি অস্ত্ৰ-শস্ত্ৰৰে বিধান সভাত অথাৎ জনসাধাৰণৰ য'ত প্ৰতিনিধিসকল থাকে সেই বিধান সভা যদি আক্ৰমণ কৰে, হিটলাৰ বাহিনী ভাৰতীয় লোহাৰ ডান্দাই, প্ৰথমতে বিধানসভাৰ সদস্যসকলক প্ৰহাৰিত কৰে আৰু বিধান সভাৰ সদস্যই প্ৰাণ লৈ পলাবলগীয়া হয়, তেনেহলে আমি কব লাগিব যে এই দেশত ইতিমধ্যে Civil war আৰম্ভ হৈ গৈছে আৰু civil war আগতেই হৈছে । যি অংশত এই শাসন চক্ৰৰ দ্বাৰা অথাৎ এই পুলিচ বাহিনীত যি Discipline থকা উচিত সেই Discipline পশ্চিম বঙ্গত নাই । এইটো অকল পশ্চিম বঙ্গ কাৰণে নহল, আমাৰ ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ কাৰণে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই এটা বিপদৰ কথা । অৱশ্যে এইটো ইতিহাসত নোহোৱা কথা নহয় । ইংলণ্ডত এবাৰ ৰজা জেমচে পুলিচ বাহিনীক লৈ পাৰ্লিয়ামেণ্ট আক্ৰমণ কৰিছিল । কিন্তু তাৰ ফলত ৰাজতন্ত্ৰ আৰু ৰজা Charles the first এ সেই ৰাজতন্ত্ৰকে বুজাব । আৰু তাৰ পিচতে শান্তি ৰক্ষা সম্ভৱপৰ হৈছিল ।

ৰাজতন্ত্ৰ সম্পূৰ্ণৰূপে পঙ্গু কৰি আমি বিছাৰো যাতে ভাৰতবৰ্ষত বৃটেইনৰ ইতিহাসৰ পুনৰাবৃত্তি নহয় । সেই কাৰণে গণতন্ত্ৰৰ পবিত্ৰতা ৰক্ষাৰ বাবে ভাৰতবাসীয়ে প্ৰতিবাদ কৰা উচিত আৰু ভাৰতবৰ্ষৰ শান্তিপূৰ্ণ প্ৰগতিৰ বাবে জনসাধাৰণৰ বিছাৰৰ ওপৰত প্ৰতিষ্ঠিত বিধান সভাৰ ওপৰত আস্থা ৰাখি পবিত্ৰতা ৰক্ষা কৰিব লাগিব । সেয়ে নহলে কোনো কোনো ঠাইত সৈন্য বাহিনী বা পুলিচ বাহিনীৰ দ্বাৰা পুঁজিপতি সকলে, জমিদাৰ শ্ৰেণীয়ে এই ৰকমে যদি গণতন্ত্ৰক ভৱিৰে মোহাৰি মষিমূৰ কৰিবলৈ যায় তেনেহলে প্ৰত্যেক গাৱে গাৱে নক্সালবাৰী হব আৰু তাৰ কাৰণে দায়ী হব পুঁজিপতি বা জমিদাৰ শ্ৰেণী । এই অৱস্থা নহব বুলি আমি আশা কৰো । গতিকে এই

*Speech not corrected

ঘটনা সম্পৰ্কে সদনত সিদিনা মহাকাশচাৰী সকলক শলাগ জনোৱাৰ দৰে আমাৰ এই সদনতো এই কাৰ্য্যৰ নিন্দা কৰি এটা সৰ্ব্ব সন্মত প্ৰস্তাৱ লব বুলি আশা কৰিলো।

**Shri Phani Bora** : অধ্যক্ষ মহোদয়, মই এটা clarification হে কৈছো। আমাৰ সদস্য শ্ৰীভটাচাৰ্য্যই ৰাজনৈতিক পাৰ্থক্য নাই বুলি ব্যাখ্যা দিছে, কিন্তু সেই-টো নহয়। আমাৰ ৰাজনৈতিক পাৰ্থক্য থকা স্বত্বেও আমি গণতন্ত্ৰৰ কাৰণে ঐক্যবদ্ধ হৈছো।

**Shri Bimala Prasad Chaliha** : माननीय অধ্যক্ষ মহোদয়, কালি পশ্চিমবঙ্গ বিধান সভাত পুলিচ বাহিনীৰ কিছু অংশ লোকে........

( *A voice* : ৫ হাজাৰ প্ৰায় )

যি আক্ৰমণ কৰা সংবাদ সি সঁচাকৈ এটা স্তম্ভিত হবলগীয়া সংবাদ। এইটোত আমাৰ সকলোৰে একমত যে বিধান সভা যিখন হৈছে গণতন্ত্ৰৰ এটি প্ৰতিক, তেনে এখন সভাৰ মৰ্য্যাদা হানিকৰ, পবিত্ৰতা নষ্ট কৰা বিশেষকৈ পুলিচ বাহিনীৰ নিচিনা লোকে —সজ কথা হব নোৱাৰে।

( *Applause* )

আমি এখন সংবিধান গ্ৰহণ কৰিছো আৰু সেই সংবিধান অনুসৰি ৰাইজৰ জনমত ওপৰত নানা ধৰণৰ চৰকাৰ প্ৰতিষ্ঠা হব পাৰে। কিন্তু আমাৰ foundation হৈছে গণতন্ত্ৰ। এই গণতন্ত্ৰৰ মৰ্য্যাদাত্ৰ হানি কৰাৰ কথা নিতান্তই অগণতন্ত্ৰ আৰু দেশৰ প্ৰতি শত্ৰুতা আচৰণ কৰা কথা বুলি ভাৱো।

( *Applause* )

সেই কাৰণে মই মাননীয় সদস্য সকলৰ লগত একমত যে এইখিনি কথা নিন্দনীয় কথা আৰু গণতন্ত্ৰৰ মৰ্য্যাদা হানিকৰ কথা আৰু সঁচাকৈ নিন্দাৰ কথা। আমি চাব-লাগিব যাতে গণতন্ত্ৰৰ পবিত্ৰতা, বিধান সভাৰ পবিত্ৰতা সদায় ৰক্ষা কৰিব পাৰো। এইখিনি কথাত নিশ্চয় কাৰবাৰ চক্ৰান্ত থাকিব পাৰে, যেনেকৈ বৰা ডাঙৰীয়াই কৈছে ভাৰত চৰকাৰৰ চক্ৰান্তৰ কথা সেই কথাত মই বিশ্বাস কৰিবলৈ টান পাইছো। স্বাধীনতাৰ আজি ২১ বছৰ পাচতো, দেশৰ চাৰিওফালে বহুত পৰিবৰ্ত্তন হৈ গল আৰু বহুত বিপদৰ মাজতো আমি গণতন্ত্ৰৰ এই পতাকাখন উচচশিৰে মানি আহিছো। গণতন্ত্ৰৰ মৰ্য্যাদা হানিকৰ যিবিলাক কাম তাক নিন্দা কৰিব লাগে আৰু পশ্চিমবঙ্গৰ এই ঘটনাটো সঁচাকৈ নিন্দা কৰিব লগীয়া।

(*Applause*)

**Announcement by the Speaker**

I have heard both the sides. It is a fact that the very foundation of democracy under which this House has been established has been shaken. I gather, on this point both sides of this House are united and therefore, if any resolution is brought before this House containing the suggestions made by the Leader of this House and Shri Bora and Shri Bhattacharyya condemning such action, it can be considered by the House as soon as it is presented. So, I request Leaders of both sides to seek and formulate a resolution.

*Re* : **Circulation of Replies to Starred Questions.**

**Shri Bimala Prasad Chaliha** : Mr. Speaker, Sir, the other day, I made a submission that I would like to make a statement about the latest position with regard to Railway Divisional Scheme.

**Mr. Speaker** : No, before that I have got an announcement to make.

Under Rules 34(5) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, if any question placed on the list of questions for oral answer on any day is not called for answer within the time available for answering questions on that day, the Minister to whom the question is addressed shall circulate

the reply to the question to the Members within three days and, unless otherwise directed by the Speaker, no oral reply shall be required to such question.

As the time required for printing sufficient number of copies of replies to such questions for circulation to all the hon. Members is quite considerable, I propose to request the Minister to place the replies to such unanswered questions on the table of the House on the next day, and take steps to circulate printed replies to such questions to all the hon. Members as early as possible.

I think this has the approval of the House.

**Statement by the Chief Minister Railway Divisional Scheme**

**Shri Bimala Prasad Chaliha (Chief Minister)**: Mr Speaker, Sir, the Railway Divisional Scheme has created an excitement and apprehension.

Introduction of the Divisionalization Scheme in the N. F. Railway was decided upon by the Railway Board on the advice of the Central Public Accounts Committee and Estimates Committee. Both these Committees of the Parliament had found that the Railways where the divisionalization Scheme was functioning were yielding more profit than others where it was not functioning. In view of this, they suggested introduction of the scheme to the remaining Railways which were not covered by the Schemes. Accordingly, the Railway Board by its notification, dated 25th February 1969 had decided to introduce the Scheme in the N. F. Railway. Under this Scheme the existing district offices were to be up-graded to divisional offices and according to the aforesaid notification there were to be Divisional offices at Katihar, Alipurduar and Lumding and an office of Transportation Division at Tinsukia. By another notification, dated 30th April 1969 it was stated that the Scheme as notified on 25th February 1969 would be implemented with effect from 1st May 1969.

Prior to these, on having come to know about the Scheme, the N. F. Railway Authorities were requested telegraphically on 11th June 1968 for having a discussion with the Chief Minister about this matter. The N. F. Railway authorities had assured that as soon as tentative plans were evolved the matter be discussed with the Chief Minister but no such discussion had taken place prior to the notifications mentioned above. On a call attention by Shri Kamini Mohan Sarma, M. L. A., in the Assembly the Minister, State Transport, had read out the N. F. Railway's letter in the Assembly on 25th February 1969 about holding discussion with the Chief Minister. The matter also was taken up with the Railway Board. But before doing anything on these requests and in spite of a commitment to discuss the matter the introduction of the Scheme and the date of its implementation were notified as stated above.

Soon after there had been wide public indignation through Press and Platform and the demand for scrapping the Schedule altogether or in the alternative to have these divisional offices in Assam to manage the Railways operating in Assam.

In view of the great public resentment the matter was taken up with the local Railway Authorities and the Railway Ministry. The General Manager and other officials of the Railway had a discussion with Chief Minister on 11th March 1969 when the former explained the implications of the Scheme.

Meanwhile Minister, State Transport had also taken up the matter with the Railway Minister who had informed on 15th April 1969 that he was examining the matter and would write to Minister, State Transport

again. The Railway Minister had also informed the Chief Minister on 14th May 1969 about the Principles for setting up divisional offices and welcoming a discussion with Minister, State Transport or Chief Minister at Delhi. As earlier explained the date of the implementation of the Scheme was notified before any such discussion had taken place.

The Divisional Scheme Virodhi Karma Parishad decided to observe Assam Bandh on 28th April 1969 as a mark of protest against those decisions of Government of India.

On 26th April 1969, a wireless message was sent to Union Railway Minister with a copy to Minister for Industrial Development, Shri F. A. Ahmed requesting postponment of implementation of the Scheme till the issues involved were discussed in a meeting with the State Government. A separate message also was sent to the Prime Minister seeking her intervention to secure this postponment. A Press note also issued on 26th April 1969 about the action taken by the State Government and appealing to the people not to subscribe to any agitational move.

On 27th April 1969, information was received from the State Finance Minister that on receipt of the messages issued the previous day by the Railway Minister, Minister for Industrial Development and Prime Minister the matter was discussed by Railway the Minister with the State FinanceMinister, the Central Industries Minister and the President of the Assam Pradesh Congress Committee at Faridabad where the All India Congress Committee was in session there. It was also intimated to the Minister, State Transport by the State Finance Minister that the following decisions were taken after the discussion and that the decisions were also endorsed by the Prime Minister.

"(1) There will be a full-fledged Division at Rangiya. The Scheme will be implemented as soon as possible.

(2) Lumding will be up-graded to a full-fledged Division.

(3) Tinsukia will also be upgraded to a Transportation Division immediately and finally a full-fledged division.

(4) In the matter of appointments to be made by Divisional Offices, preference will be given to the Local people.

(5) No workers will be transferred from Assam outside while implementing this Divisional Scheme.

(6) Details of the Scheme will be further discussed, if necessary."

On the basis of these information a Press Note was issued on the same day, *i. e.*, 27th April 1969 and the Organisers of the Assam Bandh had then decided to call off the proposed Bandh. It later appeared that the decisions arrived at Faridabad were not communicated to the Railway Board and on the other hand it was understood that the Scheme as originally notified was being implemented by transferring certain officials to the divisional office at Alipurduar.

On receipt of the above information, Minister of State for Transport, had a telephonic talk with the Union Railway Minister and a letter was also sent to the Union Railway Minister enclosing a copy, of the Press Note, dated 27th April 1969 with the request to implement the decision taken on that date in order to avoid any fresh agitation that may consequently arise. A telegram to this effect was also issued on that date. A letter was also issued on 14th May, 1969 requesting Government of India to let this State Government know of the action taken to implement the decisions taken on 27th April, 1969.

On 20th May 1969 this State Government received Government of India's notification No. EB/68/NF/-NE/Divin., dated 30th April 1969 wherein it was informed that the Scheme communicated in their notification, dated 25th Februry 1969 will come into force with effect from 1st May 1969. Subsequently in his letter, dated 10th May 1969 Dr. Ram Subhag Singh, Union Railway Minister informed Finance Minister, Assam that the demand for making Rangiya also a divisional head-quarters would be considered as soon as traffic position justified it. He also stated that at that stage, Assam Government would be consulted. As regards Lumding and Tinsukia, order have been issued to up-grade them to a Division and Transportation Division respectively. The question of Tinsukia being converted into a division was proposed to be considered in due course. He also assured that under the Divisionalization Scheme only those Assamese, if at all, would be transferred outside operating district where they are serving, if they volunteer for the same. He alse mentioned about the recruitment policy for class III and class IV posts.

On 10th June, 1969 the Divisional Scheme Virodhi Karma Parishad submitted a representation to the Chief Minister, Assam and demanded that Governor of Assam may obtain administrative orders on the lines of Faridabad decision within 16th June, 1969 failing which they shall call upon the people of Assam to launch a vigorous mass movement so as to secure the fulfilment of the Faridabad decisions.

On 11th June, 1969 Chief Minister, Assam sent a Personal telegram to Dr. Ram Subhag Singh requesting him to issue a Press Communique to the effect that a divisional office at Rangiya will be set-up as soon as possible and pending actual setting up of the office, the works relating to division at Rangiya will be done from Maligaon. This telegram was also repeated to the Prime Minister, New Delhi Copy of this telegram was also sent to the Railway Board on 17th June, 1969. A D. O. letter from the *Vice*-President of the Assam Pradesh Congress Committee was also sent to the Railway Board on 17th June, 1969. In his letter, dated 20th June, 1969, the Union Railway Minister in reply to Chief Minister's telegram, dated 11th June, 1969 has mentioned in details as to why to Divisional office at Rangiya could not be implemented immediately specially indicating that to make Rangiya a division would mean acquisition of Land, construction of office and residential accommodation and creation of other facilities needed to run such a unit and these may cost over a crore of rupees of non-recurring and about 25 lakhs per year recurring expenditure. He further stated that he stood by Faridabad decision and would consider location of a divisional headquarters at Rangiva as soon as traffic position justified.

The Chief Minister had a telephonic talk with Prime Minister before she left for Japan and requested for her intervention for establishment of a Divisional headquarter as per Faridabad decision.

On 23rd June, 1969 the Union Railway Minister had a talk with the Chief Minister over phone which gave the impression that setting up of a divisional office at Rangiya is final and this will involve acquisition of land of about four hundred acres of land and in view of this implementation of the Scheme would take some time and a press note was issued accordingly and the Vice-President, Assam Pradesh Congress Committee was also informed by wire.

On 26th June, 1969 Chief Minister, Assam wrote a letter to the Union Railway Minister requesting him to see that whatever action was taken or is proposed to be taken for implementing the earlier decision as notified with effect from 1st May, 1969 is suitably modified so that pending actual setting up of the

Divisional office at Rangiya all works relating to this Division is done from Maligaon and assured him that the State Government would extend every possible assistance in the matter of allotment of land necessary for the purpose.

In reply to this the Railway Minister had again written to the Chief Minister on 9th July 1969 that an office of the Divisional Headquarters at Rangiya would be set up but when traffic justifies. In order to clarify the stand taken by the Railway Minister I give below some extracts from this letter, "You will no doubt recall that while discussing this subject with you over he phone on 23rd June, 1969. I had stated clearly that a division would be created at Rangiya as soon as the traffic position justified it and that it would be some years before such a stage was reached. In this connection I am enclosing herewith a copy of a note recorded by the Financial Commissioner, Railways, who happened to be in the room when I talked to you. In my wireless message as well as letter of 20th June, 1969, I had explained in detail the position.

The Faridavad decision was also that a divisional headquarter would be created at Rangiya as soon as the traffic position justified it. I had made this position clear both in the Lok Sabha and in the Rajya Sabha while replying to the Railway Budget Debate. Shri Hem Barua and other members had raised the question of locating a division at Rangiya and I had clearly stated that I would consider Rangiya if the traffic position improved. Extracts from the proceedings are enclosed herewith for your information.

I find from the enclosure to your letter that you had announced on 23rd June that I had informed you that the setting up of a divisional headquarters at Rangiya was final. You have no doubt made a reference to the acquisition of 400 acres of land and the expenditure of one crore of rupees, but there is no reference to traffic justification and also your press note and telegram to Shri Sarat Chandra Sinha refer to 'some time', instead of 'Some years.

I do stand by what I told you on the phone on the 23rd June, 1969 and earlier in my letter and message of 20th June. A division will be created at Rangiya as soon as traffic position justifies it, but it will be some years before that position is reached. So far as the transfer of personnel is concerned, you are aware that as agreed at Faridabad, only optees are being transferred outside Assam. Even transfers within Assam are being kept to the minimum. As regards recruitment, your wishes are being fully met as explained in the Railway Board's letter of 8th June to the Government of Assam. I trust I can, as always, count on year goodwill and understanding".

The main difference between the Faridavad decision and the present letter is that whereas now it is made dependent upon traffic survey now the Faridavad decision as was understood promised the Division 'as soon as possible' which would depend upon the acquision of land, building of office and staff quarters, etc., steps for which could be taken straight away. In view of this controversy with the Railway Minister the matter has now to be taken up with the Prime Minister.

**Shri GIASUDDIN AHMED**: Mr. Speaker, Sir. May I have a clarification from the Chief Minister? Sir, so far as Rangia is concerned one condition has been imposed and that is that the traffic position must justify one headquaters there. Whether besides Rangia any other place is being considered by the Government of India ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)**: Sir, as far as this divisionalised scheme is concerned the Government was not opposed to it on principle. All that we wanted is that the railway

within the State of All Assam would be strengthened as far as administration is concerned. As a matter of fact, in course of our talk with the General Manager, we suggested that the Railway may have a division wherever they find it technically suitable either at Rangia, Rangapara or Bangaigoan. All that we wanted is a division which will bring the offices now attached to Alipurduar to that new division. The Government had no particular choice of any particular place. The selection of the place depends on technical suitability.

**Shri KABIR CHANDRA ROY PRADHANI**:—অধ্যক্ষ মহোদয়, বঙাইগাঁৱৰ পৰা কিবা Representation আছে নেকি? যদি আছে, মুখ্য মন্ত্ৰী মহোদয়ে সেই কথা কবনে ?

**Shri BIMALA PRASAD CHALIHA**: হয় আছে, বহুত আছে।

**Shri KANDARPA NARAYAN BANIKYA**:—ৰেলৰেৰ under ত এনেকুৱা মাটি আছে নেকি—য'ত compensation লব পাৰি ?

**Shri BIMALA PRASAD CHALIHA**: সেইটো খবৰ কৰিহে কব পাৰিম।

**Shri DEBESWAR SARMAH**: Mr. Speaker, Sir. May we have cyclostyled copies of the statement just now made by the Chief Minister and also his supplementary replies to questions put by my friend here ?

**Mr. SPEAKER**: Yes.

**Calling Attention to a matter of Urgent Public Importance—Embezzlement of funds from Co-operative Societies**

**Shri Bhadreswar Gogoi**: অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ৫৪ ধাৰা অনুসৰি মই নিম্ন উল্লেখিত বিষয়টোৰ প্ৰতি অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

সেইটো হৈছে অসমীয়া বাতৰি কাকত ৮।৬।৬৯ তাৰিখত প্ৰকাশ পোৱা "আত্মসাৎ কৰা সমবায়ৰ টকা উদ্ধাৰ কৰা হোৱা নাই।" সেই বিষয়ে মই বাতৰি কাকতখন পঢ়ি শুনাওঁ—

"১৯৬৩-৬৪ চনতে ভুৱা হিচাব দি আত্মসাৎ কৰা টিহু Co-operative মাৰ্কেটিং Society ৰ ৫৭,১৫৭ টকা আজিলৈকে কোনো প্ৰকাৰে উদ্ধাৰ কৰিব পৰা হোৱা নাই বুলি জানিব পৰা গৈছে।

১৯৬৫ চনৰ ২৬ আগষ্ট তাৰিখে নলবাৰীৰ উপ-সমবায় বিষয়াই উক্ত মাৰ্কেটিং Society ৰ তেতিয়াৰ চেক্ৰেটৰী আৰু চেয়াৰমেনৰ বিৰুদ্ধেই ঘাইকৈ অভিযোগ আৰু তেওঁলোক উভয়ে কি কি উপায় অৱলম্বন কৰি টকাখিনি আত্মসাৎ কৰে সেই সম্পৰ্কে Audit Report ত উল্লেখ কৰে।

Audit Report খনত উল্লেখ থকা মতে টিহুৰ জামান ছৰ্দাৰ নামৰ এজন লোকক ১৫৫.৫০ টকা আৰু ৩১১ টকা "লেবাৰ চাৰ্জ" বুলি ১০।৯।৬৩ আৰু ১৬।৯।৬৩ তাৰিখে দিয়াটো দেখুওৱা হয় আৰু সেই টকা জামান ছৰ্দাৰে বাঁও হাতৰ বুঢ়া আঙুলিৰ টিপ চহীৰে গ্ৰহণ কৰাটোও দেখুওৱা হয়, কিন্তু অনুসন্ধান কৰাৰ মূৰত জানিব পৰা যায় যে জামান ছৰ্দাৰে সেই টকা পোৱা নাছিল আৰু আনহাতে জামান ছৰ্দাৰে লিখিব পঢ়িবও জানে।

এই একে ধৰণে আৰু বহু ক্ষেত্ৰত চেক্ৰেটৰী আৰু চেয়াৰমেন জনে মিলি বিভিন্ন ধৰণে টকা আত্মসাৎ কৰা বুলি Audit Report খনত উল্লেখ আছে। বহুতে ক্ষত্ৰত মিছা ভাওচাৰ দাখিল কৰিছে, কোনোবা ক্ষেত্ৰত কাৰোবাক কমিচন দিয় বুলিও টকাৰ হিচাব দেখুৱাই থৈছে আৰু সেইবোৰৰ সত্যতাৰ কোনো প্ৰমাণ Audit ৰ কালত তেওঁলোকে দাখিল কৰিব নোৱাৰিলে বুলিও Audit Report ত উল্লেখ আছে। পৰিবহনৰ নামতো উক্ত মাৰ্কেটিং Society য়ে বহু টকা ব্যয় কৰে আৰু এই ক্ষেত্ৰত বিভাগীয় আপত্তি থকা স্বত্তেও সেই ব্যয় বহুলতা বোধ কৰা হোৱা নাছিল।"

**Shri Lakshmi Prasad Goswami (Minister, Cooperation)** : Mr. Speaker Sir. A question on this matter was asked by Shri Maneswar Boro, M. L. A., during the August Session (Starred Question No. 310).

In this connection it may be stated that arbitration cases were filed against the *Ex*-Chairman and *Ex*-Secretary of the Marketing Society for recovery of the amount misappropriated. Police cases have also been filed against the *Ex*-Chairman and *Ex*-Secretary.

The Present position is that Shri S. N. Deka, *Ex*-Chairman filed an appeal to the Government in connection with arbitration case against him. The appeal has been rejected and as such steps are being taken for recovery of amount. Investigation has nearly been completed in the police cases, and they are awaiting receipt of the opinion of the handwriting expert, Calcutta.

*Re*: **Police Commissions and their Terms of Reference**

**Shri Bimala Prasad Chaliha (Chief Minister)** : The hon. Members wanted to know the names of the Police Commission and terms of reference, I am placing it on the Table of the House.

**Annual Report and Accounts 1967-68 of the Assam State Warehousing Corporation**

**Shri Lakshmi Prasad Goswami (Minister, Co-operation)** : I beg to lay the Annual Report and Accounts, 1967-68 of the Assam State Warehousing Corporation.

**First Annual Report 1967-68 of the Assam Seeds Corporation Ltd.**

**Shri Lakshmi Prasad Goswami (Minister, Agriculture)** : I beg to lay the First Annual Report, 1967-68 of the Assam Seeds Corporation Limited.

**Annual Report, 967-68 of the Assam Industrial Developmental Corporation Ltd.**

**Shri Biswadev Sarma (Minister, Industries)** : I beg to lay the Annual Report, 1967-68 of the Assam Industrial Development Corporation Ltd.

**Fourth Annual Report, 1967-68 of the Assam State Mineral Development Corporation Ltd.**

**Shri Biswadev Sarma (Minister, Industries)** : I beg to lay the Fourth, Annual Report, 1967-68 of the Assam State Mineral Development Corporation Ltd.

**Annual Comparative Progress Report of the Assam Khadi and Village Industries, 1967-68**

**Shri Mahendra Nath Hazarika (Minister, Khadi and Village Industries)** : I beg to lay the Annual Comparative Progress Report of the Assam Khadi and- Village Industries for the year 1967-68.

**Fourth Annual Report, 1967-68 of the Central Road Transport Corporation Ltd.**

**Sri Prabin Kumar Choudhury, (Minister, Transport)** : I beg to lay the Fourth Annual Report, 1967-68 of the Central Road Tranport Corporation Ltd.

**Resolution condemning Police vandalism in the West Bengal Legislative Assembly**

**Mr. Speaker** : Before going to item No. 9 as desired by the House a resolution regarding the incident in the West Bengal Assembly as agreed to by the Leaders of both the sides is to be adopted.

This Assembly expresses its shock and resentment at the organised vandalism taken resort to by a large number of Policemen on 31st July 68by

orcing into the West Bengal Legislative Assembly, assaulting some members of the Legislature and destroying public property. This is a brazen attack on the very basis of democracy in India and deserves condemnation. This Assembly calls upon all democratic people to stand united in resisting such attack on democracy and preserve our country's independence, freedom and democracy.

**Shri Debeswar Sarmah** :Sir,should we mention about punishment really or should we write condemnation. Mr. Jyoti Basu said that it is a mutiny.

**Mr. Speaker** : I put the resolution.

**Shri Debeswar Sarmah:** Will you mind reading it again?

**Mr. Speaker** : This Assembly expresses its shock and resentment at the organised vandalism.........

**Shri Debeswar Sarmah** : With due apology. Can we mention organised vandalism ?It may not be mentioned because the assault and destruction of property will do.........

**Shri Gaurisankar Bhattacharyya** : That does not-five thousand people cannot be unorganised.

**Shri Debeswar Sarmah** : All right, I am not opposing.

**Mr. Speaker:** Has the resolution the approval of the House ?

(*Voice* - Yes, Yes)

The resolution is unanimously adopted. No. 9 Mr. Huda is to continue.

**Resolutinn : Ratification of the Constitution (Twenty-Second Amendment) Bill, 1969**

**M. Shamsul Huda** माननीय অধ্যক্ষ মহোদয়, মই সিদিনাই কৈ আহিছো যে পুণৰগঠনৰ সংশোধনি সংবিধানৰ ২২ নম্বৰ সংশোধনী আহিছে আৰু ইয়াত বাইজৰ কি দৃষ্টি ভঙ্গী লৈছে এই সৰ্ম্পকত মই কব খুজিছো যে আমাৰ বাইজৰ আৰু জনসাধাৰণৰ সেই ক্ষেত্ৰত এটা পৰিষ্কাৰ ধাৰণা থকা উচিত।

আমাৰ গৃহ মন্ত্ৰী শ্ৰীচ্যৱন ডাঙৰীয়াই Parliamentত এই সংশোধনী বিল আনোতে তেখেতে কৈছিল-

"But I would certainly recapitulate certain major events that took place in last 8 or 9 years. The demand of the Hill people for giving them maximum autonomy was considered and its further examination started some time in 1960 and after that it was considered from time to time. An assurance was given by the then Prime Minister of India, Pandit Jawaharlal Nehru, that maximum autonomy within the State of Assam would be considered..."

এতিয়া প্ৰশ্ন হৈছে এই যে Maximum Autonomyৰ যি প্ৰশ্ন আহিছে ইয়াৰ কাৰণ কি ? আজি হয়তো আমাৰ মাজত এনে ধাৰণা থাকিব পাৰে যে আমাৰ অসমৰ ভৈয়ামৰ বাহিৰে অসমৰ বিৰোধী দল তাৰ চৰকাৰে ভাবিব পাৰে যে পৰ্ব্বতীয়া ভাই সকলক এইটো দান বা বাকী হিচাবে দিছে। কিন্তু দেখা যায় যে এই সংশোধনীৰ কি পটভূমি আছে সেই বিষয়ে আমাৰ চৰকাৰৰ পৰিষ্কাৰ ধাৰণা নাই। আমাৰ গৃহ মন্ত্ৰী শ্ৰীচ্যৱনে ৰাজ্য সভাত ৪৩ পৃষ্ঠাত কৈছিল......

Here is a a problem which has to be approached as a problem between two sets of people.

ইয়াৰ পৰা দেখা যায় যে, কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এই, অসমৰ পৰ্ব্বতীয়া আৰু ভৈয়ামবাসীক two sets of people বুলি ধৰি লৈছে আৰু তাক consolidate কৰি এটা কৰিব নোৱাৰাৰ কাৰণে এই পৰিণতি হৈছে। আৰু তেখেতে কৈছে......................

"The problem of the tribal areas of Assam has a long history. Before Independence, they were scheduled and excluded areas. After that, they became part of the Assam State. Later on, the demand for certain recognition of their political personality was made"

এই ক্ষেত্ৰত দেখা যায় যে, অকল অৰ্থনৈতিক দাবীয়েই নহয় এটা distinct political personality দাবি কৰিছে আৰু তাৰ Recognition বা fulfilmentৰ কাৰণে এটা পলিটিকেল পাটিয়ে তৈয়াৰ কৰিছে বা স্বীকাৰ কৰিছে । আমাৰ গৃহ মন্ত্ৰী শ্ৰীচ্যৱন ডাঙৰীয়াই কৈছে............

It is to help those people, the people of the Hill Areas to develop their political personality and also to decide what kind of social economy they would like to have and also how, whatever funds would be available, the funds available should be made use of in order that the areas and their people could be developed.

ভাৰত চৰকাৰে স্বীকাৰ কৰি আহিছে আৰু এই কংগ্ৰেছ চৰকাৰেও স্বীকাৰ কৰি আহিছে যে......................

গতিকে আজি কেৱল অৰ্থনীতিৰ ক্ষেত্ৰৰ দাবী পূৰণ কৰিয়েই এখন ৰাজ্য দিব লগা হৈছে—এই কথা নহয় ? তাৰ মূলতে দেখা যায় যে সৰ্ব্বভাৰতীয় নেতাসকল, কেন্দ্ৰীয় চৰকাৰে তেওঁবিলাকে অগনতে এটা স্বায়ত্ব শাসন আছে বুলি ধৰি লোৱা নাই । ৰাজ্য সভাতো এই বুলি সমৰ্থন কৰিছে শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে.......,

I do not say that this is the best solution but under the present circumstances there is no other alternative ; there is maximum agreement and this is therefore a better solution. I must say that this problem has been made more complicated by delaying some decision for about a decade or so by our leaders, both the State leaders as well as the Central leaders. Lokpriya Gopinath Bordolai was the symbol of unity.

অৰ্থাৎ তেওঁবিলাকৰ বেলেগ political personality নাই । কেৱল তেওঁবিলাকৰ কাৰণে যি টকা মঞ্জুৰ কৰা হয় সেইটো যাতে যথাযথ ভাৱে খৰছ কৰা হয় তাৰ কাৰণে আজি পাৰ্ব্বত্য বন্ধু সকলৰ কাৰণে বেলেগ শাসনৰ প্ৰয়োজন হৈছে । আজি এই যি বেলেগ শাসন ব্যৱস্থা হৈছে তাৰ কাৰণে আমাৰ জনসাধাৰণ দায়ী নহয়, দায়ী হৈছে এই শাসনৰ গাদীত থকা আমাৰ চৰকাৰ । এই চৰকাৰক কেৱল যে আমাৰ বিৰোধী দলৰ মানুহেই দোষী সাব্যস্ত কৰি সমালোচনা কৰি আহিছে এইটো নহয়—ৰাজ্য সভাতো শ্ৰীপ্ৰফুল্ল গোস্বামীডাঙৰীয়াইও কৈছে ।

There is no doubt that much credit is due to the then Chief Minister Shri Bishnuram Medhi. He was a so-called iron man. But I am sorry to say that he had a suspicious mind and he had a conservative outlook. Therefore he could not carry the minorities and the Hill people with him; he was not liberal towards them.

তেখেতে আৰু কৈছে ।

Somehow it happened like that. It was his mistake that he even did not entrust the Portfolio for Tribal Affair to the care of Reverened Nichols-roy who was then a Minister in his Congress Cabinet. Then came all these happenings one after another and they had a long history. Then came the present Chief Minister, Shri Chaliha. No doubt he is a very good man, but I must say he also committed many mistakes because he has an obstinate mine and a feudalistic strategy, by which he is ruling Assam With all that, the minorities and the Hill people were putting up and they were carrying on smoothly. But it was a wrong and tactless statement that he made that led to the riot on the issue of language.

এই সমস্যা সমাধানৰ সংক্ৰান্তত তেখেতে কৈছে যে, আমাৰ নেতৃবৃন্দৰ বিলম্বৰ কাৰণেই, সোনকালেই পুণৰ গঠন সম্পকে কোনো সিদ্ধান্ত লব নোৱাৰাৰ কাৰণেই—আজি এই জটিল পৰিস্থিতিৰ সৃষ্টি হৈছে । ৰাজ্য চৰকাৰ সম্পৰ্কেও এটা মত প্ৰকাশ কৰিছে যে, স্বৰ্গীয় গোপীনাথ বৰদলৈৰ দিনত পৰ্ব্বত ভৈয়াম সম্প্ৰীতিৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল কিন্তু দুখৰ বিষয়, সেই সম্প্ৰীতি পূৰণ হোৱাৰ আগতেই অকস্মাৎ তেখেত আমাৰ মাজৰ পৰা

হেৰাই গল । তেওঁৰ পৰবৰ্ত্তী কালছোৱাত কি ঘটিল সেইটো শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে কৈছে ।

Another contributing factor was the indecision of the Union Government in the matter of satisfying the reasonable demands of the tribal people.

গতিকে বৰ্ত্তমানৰ পুণৰগঠন কেনেকৈ হৈছিল সেই কথা শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে কৈছিল ।

গতিকে শ্ৰীচলিহা মন্ত্ৰীসভা সম্পৰ্কে কোৱা এই বিলাক কথাৰ পৰাই দেখা যায় যে, পুণৰগঠন সম্পৰ্কীয় যি মূল কথা সেই সম্পৰ্কে অকল বিৰোধী দলৰেই নহয়, পাৰ্লিয়ামেণ্টত থকা কংগ্ৰেছৰ নেতৃস্থানীও সদস্য সকলো, পাহাৰীয়া ভাই-বন্ধুসকলৰ প্ৰতি চৰকাৰে কৰা কাৰ্য্যকলাপৰ বিষয়ে যথেষ্ট সন্দিহান । শ্ৰীপ্ৰফুল্ল গোস্বামী ডাঙৰীয়াই আকৌ কৈছে অৰ্থাৎ থিক সময়ত উচিৎ সিদ্ধান্ত নোলোৱাৰ কাৰণেই পুণৰগঠনে আজি এনে critical অৱস্থাত উপনীত হব লগা হৈছে । আজি এই সদনতে দুই-এজন বন্ধুয়ে কৈ গৈছে এই পুণৰগঠনৰ কাৰণে দায়ী বিদেশী শক্তি । সেই সম্পৰ্কে ৰাজ্য সভাত শ্ৰীবাহাৰুল ইছলামে কৈছে ।

It is the British Government which was responsible because during the British times they do not allow the Plains people to enter in to Hill districts. They did not allow the Nagas to meet others ; they were kept separate. Sir, as the Nagas had a separate State from Assam, we are not even now allowed to go to N.E.F.A., and though the *lingua franca* of the N.E.E.A., people is Assamese they do not know us and we do not know them till this day. They were separated from the people of Assam by the British. The Hill people were kept completely aloof from the Plains people. Therefore, mutual suspicions grew.

বৃটিছৰ দিনত ভৈয়ামৰ মানুহৰ পৰা পৰ্ব্বতীয়া জনসাধাৰণক আতৰত ৰাখিছিল । ভৈয়ামৰ মানুহ তালৈ যাব নোৱাৰিছিল । তেখেতে এই কথা কৈছে । একেবাৰে সঁচা কথা---বৃটিছৰ ৰাজত্বৰ এই কথা একেবাৰেই সত্য । তাৰ পিছত স্বাধীনতাৰ লগে লগে বৃটিছৰ ৰাজত্ব গল । ইংৰাজ যোৱাৰ লগে লগে ক্ষমতা আহিল আমাৰ নিজৰ হাতলৈ । এই চৰকাৰৰ শাসন চলিল । তেতিয়া এই চৰকাৰে সেই পাহাৰীয়া ভাই-বন্ধুসকলৰ মাজত সংহতি কিয় স্থাপন কৰিব নোৱাৰিলে ? পৰ্ব্বত-ভৈয়াম সম্প্ৰীতিৰ ব্যৰ্থতাৰ কাৰণে আৰু পুণৰগঠন সংক্ৰান্তত প্ৰায় সকলোৱেই Foreign Missionaries সকলকে দোষাৰূপ কৰা দেখা যায় । অৱশ্যে হওঁতে কথাটো মিছাও নহয় । কিন্তু আমাৰ চৰকাৰৰ দৃঢ় ভূমিকাই পাহাৰীয়া ভাই-বন্ধুসকলৰ প্ৰতি বিদেশী মিছনাৰী সকলে লোৱা ভূমিকা কিয় Replace কৰিব নোৱাৰিলে ? যোৱা ২২ বছৰেটো দেশত ইংৰাজ শাসন নাছিল ? বৃটিছ সকল যোৱাৰ পিচত ২২ বছৰে স্বাধীন চৰকাৰে শাসন কাৰ্য্য চলালে । কিন্তু কিয় মিচনেৰী Service ত শাসন কাৰ্য্য চলাব নোৱাৰিলে কিয় ? পৰ্ব্বত ভৈয়ামৰ সংহতি প্ৰতিষ্ঠা কৰিব নোৱাৰিলে, কিয় ভাষা সংস্কৃতি আকোৱালি লব নোৱাৰিলে, কিয় পৰ্ব্বত ভৈয়ামৰ মাজত বন্ধুত্বপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰিলে ? কিয় কংগ্ৰেছ চৰকাৰে এনেকুৱা এটা অৱস্থাৰ সৃষ্টি কৰিলে ? আগচোৱাত দায়ী আছিল বৃটিছ সকল । কিন্তু স্বাধীনতাৰ পাচত এই পুণৰগঠনৰ সম্পৰ্কত দায়ী হৈছে কংগ্ৰেছ চৰকাৰ । কাৰণ কংগ্ৰেছ চৰকাৰে পৰ্ব্বত-ভৈয়ামৰ মাজত সংহতি স্থাপন কৰিব নোৱাৰিলে । পৰ্ব্বত-ভৈয়ামৰ মাজত সংহতি স্থাপন হলহেতেন যদি আমি অৰ্থনৈতিক ক্ষেত্ৰত, উন্নয়নৰ ক্ষেত্ৰত তেওঁবিলাকৰ প্ৰতি বিশেষ ব্যৱস্থা ৰাখিলোহেতেন ।

Credit for this reorganisation goe to the missionaries...why could we no replace the activities of missionarie by ourselves....

"The entire situation has been created by years of neglect, cynicism and indifference on the part of the Congress rulers in Assam who did not pay attention to even the very elementary urges of the people who inhabit the hill areas of the State.'

"problem of tribal areas of Assam has a long history before independence, they were scheduled and excluded areas"

** ** **

এই সকলো মন্তব্য, এই ধাৰণা সৰ্ব্ব-ভাৰতীয় নেতা সকলে কৰিছে। শাসন সম্পকত অসমৰ পৰ্ব্বতীয়া বন্ধুসকলৰ প্ৰতি অৰ্থনৈতিক ক্ষেত্ৰত, উন্নয়নৰ ক্ষেত্ৰত যি কাৰ্য্যকলাপ কৰি আহিছে তাৰ খণ্ডনৰ কোনো যুক্তি এই চৰকাৰৰ নাই। বক্তব্যত এইটো দেখা যায় যে পৰ্ব্বতীয়া জনসাধাৰণৰ উন্নতিৰ কাৰণে টকা ব্যয় কোনো গুণে কম নহয়। আজি দেখা যায় যে—সৰ্ব্বভাৰতীয় নেতাসকলে এই পুণৰগঠন সৰ্ম্পকত জনসাধাৰণৰ প্ৰতি চিৰদিনৰ কাৰণে কলঙ্কৰ কালিমা সানি দিলে। এই দৰে পৰ্ব্বতীয়া বন্ধু সকলক অন্যায় ব্যৱহাৰ কৰিছে। কিন্তু তেওঁলোকৰ শাসনৰ উন্নতিৰ কাৰণে কোনো ৰকমৰ চেষ্টা কৰা নাই। এনেকৈ শ্ৰীচ্যৱনে লোকসভাত মন্তব্য কৰিছে যে পুণৰগঠনৰ কাৰণে কেনেকৈ অসমৰ জনসাধাৰণৰ ওপৰত দোষ জাপি দিছে।

তেওঁবিলাকে আজি বেলেগ ৰাজ্য দাবী কৰিব লগীয়া হৈছে আৰু বেলেগ হৈ থাকিব বিচাৰিছে। কাৰণ একেলগে থাকিলে তেওঁবিলাকৰ কোনো উন্নতি নহব। আৰু লোক সভাৰ সদস্য নামবেয়াৰে পৰিষ্কাৰকৈ কৈছে যে—লোকসভাৰ Debate ২১৮ পৃষ্ঠাত

"We have goodwill for both the hills and the plains. My party stands for friendship and equanimity for both the parts of Assam, the hill people and the plains people. We do not want one part to be dominated by the other. We do not want that. My party stands for the full development of Assam as a powerful unit of this great Mother India. And this strengthening can be done only by the voluntary will of the people. The people who live in this continent must feel that freedom gives them something useful and something which they deserve. Then only they feel that they must do everything for the country. Therefore I feel that there should not be any rivalry nor competition between the two parts of Assam."

এনেকৈ goodwill ক দুটা ভাগত বিভক্ত কৰিছে—

অৰ্থাৎ গোটেই ভাৰতবৰ্ষৰ মানুহে জানে যে এই অঁাচনিৰ কাৰণে দায়ী অসম চৰকাৰ। পৰ্ব্বতীয়া বন্ধুসকলৰ উন্নতিৰ কাৰণে কোনো দিনে চিন্তা কৰা নাই।

সৰ্ব্বভাৰতীয় নেতাসকলে এইটো ধৰি লৈছে আৰু অসম চৰকাৰে চিৰ দিন স্বীকাৰ কৰি আহিছে।

সৰ্ব্ব ভাৰতীয় নেতাসকলৰ উক্তি অসম চৰকাৰে মানি আহিছে।

তেওঁ আৰু কৈছে —

আজি ২২ বছৰ শাসন কালৰ পিচত পৰ্ব্বত্য ভৈয়ামৰ দুটা ভাগ হোৱাৰ কাৰণে কংগ্ৰেছ চৰকাৰেই দায়ী। এইখিনিকে মই আন্তৰিকতাৰে সংবিধানৰ সংশোধনী বিলখন সমৰ্থন কৰিছো। লোকসভাৰ সদস্য শ্ৰীকান্তিকে লোকসভাৰ বক্তৃতাৰ ২২৫ পৃষ্ঠাত কৈছে—

Let us try to understand what the facts behind this agitation are and wherein lies its strength. I would like to let this House know what is the force behind this. I think, the credit for this should also go to the foreign Christan missions operating in that area.

আৰু তেখেতে কৈছে this strength has been given by the Missionaries there. The missionaries have compelled the Government to come to this conclusion.

অৰ্থাৎ এই গৰাকী সদস্যই কৈছে যে, এই পুণৰগঠনৰ কাৰণে আজি credit পোৱাটো মিচনাৰী সকলৰে উচিত । এই মিচনাৰী সকলেই, পৰ্ব্বতীয়া বন্ধুসকলক আজি বেলেগ ৰাজ্য বিচৰা আদিত সকলোতে অনুপ্ৰাণিত কৰি তুলিছে ।

ইংৰাজৰ শাসন পাৰ হৈ যোৱাৰ পাচতো আজি মিচনাৰীসকলে, পৰ্ব্বতীয়া ভাই-বন্ধুক সংগঠন কৰিব পাৰিলে, আন্দোলনৰ কাৰণে উন্নতিৰ কাৰণে, ৰাজনৈতিক, অৰ্থনৈতিক উন্নতিৰ কাৰণে আৰু শাসন ব্যৱস্থা চলাবৰ কাৰণে সুযোগ্য কৰি তুলিলে ।

কিন্তু আজি ২২ বছৰেও এই কংগ্ৰেছী চৰকাৰে কোনো কাম কৰিব নোৱাৰিলে । ইয়াৰ কাৰণে মিচনাৰী সকলক আমি গৰিহনা দিব নোৱাৰো । তেওঁলোকে সদায়েই তেওঁলোকৰ কলাকৃষ্টি ধৰ্ম্ম,গোটেই পৃথিৱীত প্ৰচাৰ কৰাৰ কাৰণে তেওঁলোকে চেষ্টা কৰিবই । সেই কাৰণে মিচনাৰী Spirit ৰ দৰে আমাৰ কংগ্ৰেছী চৰকাৰে আমাৰ পাহাৰী বন্ধু সকলৰ মাজত কাম কৰি ভৈয়াম আৰু পাহাৰী ভাইসকলৰ মাজত সংহতি ৰাখিব লাগিব । কংগ্ৰেছী চৰকাৰে পুণৰগঠন বিলখন সমৰ্থন কৰিছে । যদি এতিয়াই এই অৱস্থা ভালদৰে চোৱা হয় তেনেহলে অদূৰ ভৱিষ্যতত ই এটা জটিলৰূপে দেখা দিব । এই যি পুণৰগঠন বিল খন আমি বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে সমৰ্থন কৰিছো আৰু যদি এই বিলখন পাচ হোৱাৰ পাচতো আমাৰ চৰকাৰ নিৰ্ব্বিকাৰে বহি থাকে তেতিয়াহলে আমি আমাৰ পাহাৰী বন্ধুসকলৰ পৰা চিৰদিনৰ কাৰণে বিছিন্ন হৈ যাম ।

অতীতত যি ভুল সেই ভুল যদি সংশোধন নকৰে বা পৰিত্যাগ নকৰে তেনেহলে আমি আমাৰ পাহাৰী ভাইসকলক ৰাখিব নোৱাৰিম । আৰু Autonomous State ৰ যি আঁচনি লৈছে সেইটো কৃতকাৰ্য্য কৰিব পাৰিলেহে আমাৰ সকলো সমস্যা সমাধান কৰিব পাৰিম আৰু পাহাৰ ভৈয়ামৰ মাজত মলা-প্ৰীতিও অটুট থাকিব ।

শেষত, যাতে আমাৰ পাহাৰ-ভৈয়ামৰ মাজত বন্ধুত্ব ৰাখিব পাৰি যি শাসনতন্ত্ৰ এই শাসনতন্ত্ৰক সফল কৰি তুলিব পাৰি, ইয়াকে কামনা কৰি আন্তৰিকতাৰে সংশোধনী বিলখন সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**Shri Dulal Chandra Barua**: Mr. Deputy Speaker, Sir, under the cloud of great sorrow, I am going to take part in the Resolution that has been moved by the hon. Chief Minister in respect of the Twenty Second Amendment of the Constitution which leads to the reorganisation of this frontier State of ours.

Sir, I have very attentively heard the argument and the observations that have been put forward by the hon. Members to-day, and also the day before yesterday. It seems that everybody is going to whole-heartedly support the resolution for the betterment of this eastern sensational region. But I am sorry to observe that neither the Hon'ble Chief Minister nor the other hon. Members have very deeply gone through the implications of the amendment which has been already passed by the two Houses of Parliament, *i. e.*, the Lok Sabha and the Rajya Sabha. Sir, I think you very well remember the spirit of the 11th September, 1968 declaration where we could see certain things which would in future give a scope to bring about unity amongst the various sections of the people of the State. But now, Sir, it has been observed that present amendment has frustrated that aspiration that we had after that declaration Now Sir, it all the hon. Members of this august House express their satisfaction, I for one have to bow down to the wishes of the people or of the House. Sir, I may be permitted to speak out my mind and to put forward my reaction after going through the implication of this amendment very carefully. Sir, in this connection, I would like to mention here that the Government of India those who are at the helm of affairs they are not even to-day really trying to understand the problems of this region. They have taken from the British policy the

divide and rule policy. I must tell you, Sir, that even after they have come to a solution and after passing the Twentysecond Amendment of the provisions of the Constitution, they are not in a position to realise the gravity of the situation and appreciate the problems of this frontier State.

**Mr. Deputy Speaker**: Order, order. It is 11-30 hours now. The House stands adjourned till 10 A. M. on Monday next. Mr. Barua will continue.

### Adjournment

The Assembly then adjourned till 10 A. M. on Monday, the 4th August 1969

Shillong:
The 5th August, 1970

U. TAHBILDAR,
Secretary,
Legislative Assembly, Assam.

AGP (LA) 355/70—90—25-8-70.